অধ্যায় ৫ ঃ পণ্য বিক্রয় আইন, ১৯৩০ (THE SALE OF GOODS ACT, 1930)

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য
৫.২ পৰিচয়
৫.৩ বিক্রয় চুক্তিৰ আৱশ্যকতাসমূহ
৫.৪ বিক্রয় আৰু বিক্রয়ৰ সন্মতিৰ মাজৰ পার্থক্য
৫.৫ মুখ্য চর্ত আৰু গৌণ চর্ত
৫.৬ পণ্যৰ মালিকী স্বত্ব হস্তান্তৰ
৫.৭ অনাধিকাৰীসকলৰ দ্বাৰা মালিকীস্বত্ব হস্তান্তৰ
৫.৮ বিক্রয় চুক্তিৰ কার্য সম্পাদন
৫.৯ পৰিশোধ নোহোৱা বিক্রেতাৰ অধিকাৰ
৫.১০ বিক্রয় চুক্তি ভংগ
৫.১১ নিলাম বিক্রয়
৫.১২ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৫.১৩ অধিক জানিবলৈ
৫.১৪ অগ্রগতি খতিয়ান
৫.১৫ সম্ভাব্য প্রশ্ন

৫.১ উদ্দেশ্য (LEARNING OBJECTIVES)

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বিক্রয় চুক্তিৰ আৱশ্যকতাবিলাক ব্যাখ্যা কৰিব পাৰিব
- মুখ্য চর্ত আৰু গৌণ চর্তৰ নিশ্চয়তাৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- সম্পত্তিৰ পণ্যলৈ পৰিৱর্তিত কৰা আৰু গৰাকীৰ বাহিৰে অন্য লোকলৈ স্বত্ব হস্তান্তৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- বিক্রয় চুক্তিৰ কার্য সম্পাদন আৰু মূল্য পৰিশোধ নোহোৱা পণ্যৰ বিক্রেতাৰ অধিকাৰৰ বিষয়ে বর্ণনা কৰিব পাৰিব
- বিক্রয় চুক্তি ভংগ আৰু নিলাম বিক্রয় সম্পর্কে ব্যাখ্যা কৰিব পাৰিব

৫.২ পৰিচয় (INTRODUCTION)

আগৰ অধ্যায়ত আমি চুক্তি আইনৰ আৱশ্যকীয় দিশবিলাকৰ বিষয়ে আলোচনা কৰিলোঁ। এই

অধ্যায়ত পণ্য বিক্রয় আইন, ১৯৩০ৰ বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত আলোচনা কৰিম। পণ্য বিক্রয় চুক্তি, চুক্তি আইনৰ সাধাৰণ আইনসংগত নীতি অনুসৰি কৰা হয়, যিবিলাক নীতিৰ ভিতৰত আছে প্রস্তাৱ, গ্রহণ, পক্ষসমূহৰ সক্ষমতা, মুক্ত সন্মতি, প্রতিদান ইত্যাদি। অৱশ্যে, পণ্য বিক্রয়য় ক্ষেত্রত চুক্তি আইনৰ নীতিৰ প্রয়োগ পণ্য বিক্রয় আইন (ধাৰ ৪)ৰ সৈতে অসংগত বা অমিল নহয়। বিক্রয় চুক্তিত বিক্রয় আৰু বিক্রয় কৰাৰ সন্মতি দুয়োটাই অন্তর্ভুক্ত।

৫.৩ বিক্রয় চুক্তিৰ আৱশ্যকতাসমূহ (ESSEMTIALS OF CONTRACT OF SALE)

এই অনুচ্ছেদত আমি বিক্রয় চুক্তিৰ আৱশ্যকতাসমূহৰ বিষয়ে আলোচনা কৰিম। বিক্রয় চুক্তিৰ আৱশ্যকতাসমূহ হৈছে ঃ

(১) অস্থাৱৰ পণ্য (Movable Goods) ঃ পণ্য বিক্রয় আইন কেৱল অস্থাৱৰ পণ্যৰ সৈতেহে জড়িত। আইনখনৰ ধাৰ ২ (৭) অনুসৰি পণ্যৰ সংজ্ঞাত কোৱা হৈছে যে মোকর্দমা হ'ব পৰা দাবী আৰু ধনৰ বাহিৰে সকলো ধৰণৰ অস্থাৱৰ সম্পত্তিকে পণ্য বোলা হয়। মাটিৰ সৈতে সংলগ্ন হৈ থকা বস্তু-বাহানি অস্থাৱৰ বা চলমান নহয়। কিন্তু বিক্রয় কৰাৰ পূর্বে মাটিৰ পৰা সহজে পৃথক কৰিব পৰা ক্রমবর্ধমান শস্য বা ঘাঁহক পণ্যৰ সংজ্ঞাত অন্তর্ভুক্ত কৰা হৈছে।

(২) দুটা পক্ষ (Two Parties) ঃ পণ্য বিক্রয় এক দ্বিপাক্ষিক চুক্তি। এটা বিক্রয় কার্যকৰী কৰিবলৈ হ'লে, ক্রেতা আৰু বিক্রেতা থাকিবই লাগিব। এজন লোকে কেতিয়াও তেওঁৰ নিজৰ পণ্য ক্রয় কৰিব নোৱাৰে। অৱশ্যে, এজন আংশিক স্বত্ত্বাধিকাৰীয়ে আন এজন আংশিক স্বত্ত্বাধিকাৰীক বিক্রয় কৰিব পাৰে। একেদৰে, এজন অংশীদাৰে তেওঁৰ প্রতিষ্ঠানক পণ্য বিক্রয় কৰিব পাৰে বা একোটা প্রতিষ্ঠান একোটা পক্ষক বিক্রয় কৰিব পাৰি।

(৩) প্রতিদান (Consideration) ঃ পণ্য বিক্রয়ৰ এক বিধিসন্মত চুক্তি কৰিবলৈ হ'লে, প্রতিদান ধনৰ ৰূপত হ'বই লাগিব। পণ্যৰ বিনিময়ত পণ্য দিয়াটোক বিক্রয় হিচাপে অভিহিত কৰিব নোৱাৰি। কিন্তু যদিহে এই বিনিময় আংশিকভাৱে পণ্যৰ আৰু আংশিকভাৱে ধনেৰে কৰা হয়, তেতিয়া ইয়াক বিক্রয় বুলি গণ্য কৰিব পাৰি। সম্পূর্ণৰূপে প্রতিদানৰহিত বিনিময়ক উপহাৰ বুলি গণ্য কৰা হ'ব।

(৪) বিধিসন্মত (Valid Contract) ঃ বিক্রয় চুক্তি হ'বলৈ, ই একোটা বিধিসন্মত চুক্তিৰ সকলো আৱশ্যকতা যেনে বিধিসন্মত প্রস্তাৱ, বিধিসন্মত গ্রহণ, পক্ষসমূহৰ মুক্ত সন্মতি, এক বিধিসন্মত প্রতিদান ইত্যাদি পূৰণ কৰিব লাগিব।

(৫) মালিকীস্বত্ত্ব হস্তান্তৰ কৰাৰ সন্মতি (Agreement to transfer the ownership) ঃ বিক্রয় চুক্তিৰ জৰিয়তে পণ্যৰ দখল চমজাই দি বা নিদিয়াকৈ বিক্রেতাই তেওঁৰ পণ্য ক্রেতাক হস্তান্তৰ কৰিব লাগে।

(৬) চুক্তি গঠনৰ পদ্ধতি (Method of formation of contract) ঃ ধাৰ ৫ (২) অনুসৰি বিক্রয় চুক্তি হ'বলৈ ই লিখিত ৰূপত বা মৌখিক ৰূপত বা পক্ষসমূহৰ কার্যকলাপৰ দ্বাৰা প্রযোজ্য ৰূপত হ'বই লাগিব।

(৭) চুক্তিৰ চর্তাৱলী (Terms of contract) ঃ পণ্য প্রদান কৰাৰ সময়, স্থান আৰু পদ্ধতিৰ ভিত্তিত পক্ষসমূহে বিভিন্ন চর্তৰ ওপৰত সন্মতি প্রকাশ কৰিব। এই চর্তবিলাক আৱশ্যকীয় আৰু অনাৱশ্যকীয় দুই ধৰণৰ হ'ব পাৰে। আৱশ্যকীয় চর্ত বোলোতে বন্দোৱস্তিসমূহ বুজোৱা হৈছে আৰু অনাৱশ্যকীয় চর্ত হৈছে গুণগত মানদণ্ডৰ নিশ্চয়তা। সেয়ে সকলো ধৰণৰ বিক্রয় চুক্তিৰ ক্ষেত্রত নির্দিষ্ট বন্দোবস্তি আৰু নিশ্চয়তা প্রযোজ্য হয়।



অগ্রগতি নিৰীক্ষণ (CHECK YOUR PROGRESS)

প্রশ্ন নং- ১ ঃ বিক্রয় চুক্তিৰ দুটা আৱশ্যকতা উল্লেখ কৰক।

_____

_____

৫.৪ বিক্রয় আৰু বিক্রয়ৰ সন্মতিৰ মাজৰ পার্থক্য (DIFFERENCES BETWEEN SALE AND AGREEMENT TO SALE)

এতিয়া আমি বিভিন্ন পৰিস্থিতিত বিক্রয় আৰু বিক্রয় সন্মতিৰ মাজত থকা পার্থক্যবিলাকৰ বিষয়ে আলোচনা কৰোঁ আহক ঃ

(১) প্রকৃতি (Nature) ঃ বিক্রয় হৈছে কার্যকৰী কৰা এক চুক্তি। কিন্তু বিক্রয়ৰ সন্মতি হৈছে কার্যকৰী কৰিব পৰা চুক্তি। একোটা বিক্রয়ক কার্যকৰী কৰা এক চুক্তি বোলা হয় কিয়নো বিক্রয়ত প্রতিদান আৰু পণ্য প্রদান কৰা দুয়োটা কামে পর্যায়ক্রমে কৰা হয়। আনহাতে, বিক্রয়ৰ সন্মতি হ'ল কার্যকৰী কৰিব পৰা এক চুক্তি কাৰণ প্রতিদান ভৱিষ্যতৰ এটা তাৰিখত ধার্য কৰা থাকে আৰু ক্রেতাক পণ্য প্রদানো ভৱিষ্যতৰ এটা তাৰিখত কৰা হ'ব।

(২) মালিকীস্বত্বৰ হস্তান্তৰ (Transfer of ownership) ঃ বিক্রয়ৰ ক্ষেত্রত ক্রেতাক পণ্যৰ মালিকীস্বত্ব তৎক্ষণাত হস্তান্তৰ কৰা হয়। সেয়ে, বিক্রয়ৰ ক্ষেত্রতক্রেতাজন পণ্যৰ মালিক বা গৰাকী হৈ পৰে। কিন্তু বিক্রয়ৰ সন্মতি তেতিয়াহে এক বিক্রয়ত পৰিণত হয় যেতিয়া ক্রেতাক পণ্যৰ মালিকীস্বত্ব হস্তান্তৰ কৰা হয়। ভৱিষ্যতৰ কোনো এক তাৰিখত পণ্যৰ মালিকীস্বত্ব হস্তান্তৰ কৰা হয়।

(৩) আশংকা হস্তান্তৰ (Transfer of risk) ঃ বিক্রয়ৰ ক্ষেত্রত ক্রেতাজনে লোকচান বহন কৰিব লগা হয়, যদিও বা পণ্য বিক্রেতাৰ তত্ত্বাৱধানত থাকে। কিয়নো, বিক্রয়ৰ ক্ষেত্রত আশংকা মালিকীস্বত্বৰ সৈতে জড়িত। কিন্তু বিক্রয় সন্মতি ক্ষেত্রত, আনকি পণ্য ক্রেতাৰ তত্ত্বৱধানত থাকিলেও বিক্রেতাইহে লোকচানৰ আশংকা বহন কৰিব লাগে।

(৪) চুক্তি ভংগৰ পৰিণতি (Consequence of the breach) ঃ বিক্রেতাই বিক্রয় সন্মতিৰ চুক্তি ভংগ কৰিলে, ক্রেতাই বিক্রেতাৰ পৰা ক্ষতিপূৰণ আদায় কৰিব পাৰে। যদি ক্রেতাই প্রতিদান পৰিশোধ কৰাত ব্যর্থ হয়, তেতিয়া বিক্রেতাই ক্রেতাৰ পৰা ক্ষতিপূৰণ আদায় কৰিব পাৰে।

(৫) ক্রেতাৰ দেউলীয়া অৱস্থা (Insolvency of the buyer) ঃ বিক্রয়ৰ ক্ষেত্রত, মূল্য পৰিশোধ কৰাৰ পূর্বে যদি ক্রেতাজন দেউলীয়া হয়, তেতিয়া বিক্রেতাজনে পণ্য আনুষ্ঠানিক সম্পত্তি ৰক্ষক (official assignee) বা গ্রহণকাৰীক অর্পণ কৰিব লাগে, কিন্তু পণ্যৰ ওপৰত তেওঁৰ স্বত্ব থাকিলে তেনেকুৱা নকৰিবও পাৰে। কিন্তু বিক্রয়ৰ সন্মতিৰ ক্ষেত্রত, পণ্যৰ সম্পূর্ণ মূল্য আদায় নোপোৱা পর্যন্ত বিক্রেতাই সম্পত্তিৰক্ষক বা গ্রহণকাৰীক পণ্য অর্পণ কৰিবলৈ অস্বীকাৰ কৰিব পাৰে।

(৬) বিক্রেতাৰ দেউলীয়া অৱস্থা (Insolvency the seller) ঃ বিক্রয়ৰ ক্ষেত্রত যদি বিক্রেতাজন দেউলীয়া হয় ক্রেতাই আনুষ্ঠানিক গ্রহণকাৰী বা সম্পত্তি ৰক্ষকৰ পৰা পণ্য আদায় কৰিব পাৰে যিহেতু পণ্যৰ স্বত্ব ক্রেতাৰ হাতত থাকে। কিন্তু বিক্রয়ৰ সন্মতিৰ ক্ষেত্রত, যদি বিক্রেতাজন দেউলীয়া হয় আৰু গ্রহণকাৰী বা সম্পত্তিৰক্ষকে তেওঁৰ পৰা পণ্যলৈ যায়, তেতিয়া ক্রেতাজনে পণ্যৰ পৰিৱর্তে মাথো মূল্য অনুসৰি এটা অংশ দাবী কৰিব পাৰে। ক্রেতা, যিহেতু পণ্যৰ গৰাকী নহয় সেয়ে গ্রহণকাৰী বা সম্পত্তি ৰক্ষকৰ পৰা পণ্য আদায় কৰিব নোৱাৰে।

(৭) সাধাৰণ আৰু নির্দিষ্ট সম্পত্তি (General and particular property) ঃ বিক্রয় চুক্তিৰ জৰিয়তে সমগ্র পৃথিৱীৰ বিপৰীতে এক অধিকাৰ সৃষ্টি কৰা হয়। ইয়াৰ অর্থ হৈছে আন সকলোৰে বিপৰীতে ক্রেতাই পণ্য ব্যৱহাৰ কৰাৰ অধিকাৰ লাভ কৰে। কিন্তু, বিক্রয় সন্মতিৰ জৰিয়তে, ক্রেতাই কেৱল বিক্রেতাৰ বিপৰীতে পণ্যৰ ওপৰত অধিকাৰ লাভ কৰে।

(৮) পুনৰ বিক্রয় কৰাৰ অধিকাৰ (Right of re-sale) ঃ বিক্রয় চুক্তিৰ ক্ষেত্রত বিক্রয় কৰা পণ্যৰ তত্ত্বাৱধানৰ দায়িত্ব বিক্রেতাজনৰ হাতত থাকিলেও তেওঁ পণ্য পুনৰ বিক্রয় কৰিব নোৱাৰে। কিন্তু, কিস্তি হিচাপত পৰিশোধ কৰি ক্রয় কৰা ক্রেতাই মূল্যৰ সকলো কিস্তি পৰিশোধ নকৰালৈকেহে পণ্য পুনৰ বিক্রয় কৰিব নোৱাৰে।

৫.৫ মুখ্য চর্ত আৰু গৌণ চর্ত (CONDITION AND WARRANTY)

পণ্য বিক্রয় কৰাৰ সময়ত, ক্রেতাক পণ্য ক্রয় কৰিবলৈ আকর্ষণ কৰাৰ লক্ষ্যৰে বিক্রেতাই কেতবোৰ নির্দিষ্ট বিবৃতি বা উপস্থাপন দাঙি ধৰে। এই বিবৃতিবিলাকে বিক্রয় চুক্তিৰ এটা অংশ গঠন কৰিব

পাৰে আৰু ক্ৰেতাই সেইবিলাকৰ ওপৰত নিৰ্ভৰ কৰে। এই উপস্থাপনাবিলাকক বন্দোৱস্তি (stipulation) বোলা হয়। যেতিয়া একোটা বিক্ৰয়ৰ চুক্তি কৰাৰ ক্ষেত্ৰত এই বন্দোৱস্তিবিলাক অতিশয় গুৰুত্বপূৰ্ণ হৈ পৰে তেতিয়া ইয়াক মুখ্য চৰ্ত (condition) বুলি জনা যায়। আকৌ যদি এইবিলাক বিক্ৰয় চুক্তি গঠনত কম গুৰুত্বপূৰ্ণ হয়, তেতিয়া সেইবিলাকক গৌণ চৰ্ত (warranty) বোলা হয়।

পণ্য বিক্ৰয় আইনৰ ধাৰা ১২ (২) অনুসৰি, মুখ্য চৰ্ত হৈছে চুক্তিৰ মূল উদ্দেশ্যত আৱশ্যকীয় এক বন্দোৱস্তি,যাক উলংঘা কৰিলে চুক্তি অগ্ৰাহ্য হোৱা বুলি গণ্য কৰাৰ অধিকাৰ লাভ কৰিব পাৰি। একোটা চৰ্তৰ প্ৰধানকৈ তিনিটা আৱশ্যকতা আছে, যেনে—

(১) চুক্তিৰ মূল উদ্দেশ্যৰ ক্ষেত্ৰত মুখ্য চৰ্ত আৱশ্যকীয়।

(২) মুখ্য চৰ্ত পূৰণ নকৰিলে ক্ষতিগ্ৰস্ত পক্ষৰ শুধৰাব নোৱৰা হানি হয়।

(৩) মুখ্য চৰ্ত উলংঘা কৰাৰ পৰিণাম স্বৰূপে ক্ষতিগ্ৰস্ত পক্ষই চুক্তি বাতিল কৰাৰ অধিকাৰ লাভ কৰে আৰু মুখ্য চৰ্ত উলংঘা কৰাৰ বাবদ ক্ষতিপূৰণ দাবী কৰিব পাৰে।

ধাৰা ১২ (৩) অনুসৰি, গৌণ চৰ্ত হৈছে চুক্তিৰ মূল উদ্দেশ্যৰ আনুষংগিক এক বন্দোৱস্তি, যাক উলংঘা কৰিলে ক্ষতিপূৰণ দাবী কৰিব পাৰি কিন্তু পণ্য নাকচ কৰিব নোৱাৰি আৰু চুক্তি বাতিল হোৱা বুলি গণ্য কৰিব নোৱাৰি।

মুখ্য চৰ্তৰ দৰে নিশ্চয়তাইও তিনিবিধ আৱশ্যকতা পূৰণ কৰিব লাগে, যেনে—

(১) গৌণ চৰ্ত হৈছে চুক্তিৰ মূল উদ্দেশ্যৰ আনুষংগিক।

(২) গৌণ চৰ্ত উলংঘাই চুক্তিৰ মূল উদ্দেশ্য উলংঘা কৰা নুবুজায় আৰু ই বিপৰীত পক্ষৰ ক্ষতি কৰে।

(৩) গৌণ চৰ্ত ভংগ কৰাৰ বাবদহে বিপৰীত পক্ষই ক্ষতিপূৰণ দাবী কৰিব পাৰে।

উদাহৰণ ঃ 'ক' 'খ'ৰ ওচৰলৈ গ'ল আৰু ঘণ্টাত ৩৫ কিলোমিটাৰ দৌৰিব পৰা এটা ঘোঁৰা দেখু�ৱাবলৈ ক'লে। 'খ'ই এটা নিৰ্দিষ্ট ঘোঁৰালৈ আঙুলি টোঁৱাই ক'লে যে এইটোৱেই তেওঁৰ উদ্দেশ্য পূৰণ কৰিব। 'ক'ই ঘোঁৰাটো কিনিলে আৰু দেখিলে যে ঘোঁৰাটোৱে প্ৰতি ঘণ্টাত ২০ কিঃ মিঃ বেগতহে দৌৰিব পাৰে। এতিয়া 'ক'ই ঘোঁৰাটো নাকচ কৰিব পাৰে যিহেতু বিক্ৰয়ৰ মুখ্য চৰ্ত হিচাপে 'খ'ই কৰা উপস্থাপন সঠিক নাছিল।

মুখ্য চৰ্ত আৰু গৌণ চৰ্তৰ মাজৰ পাৰ্থক্য ঃ

(১) চুক্তিৰ আৱশ্যকতা (Essential of contract) ঃ পণ্য বিক্ৰয় আইন, ১৯৩০ৰ ধাৰা১২ (২) অনুসৰি, মুখ্য চৰ্ত হৈছে চুক্তিৰ মূল উদ্দেশ্যৰ ক্ষেত্ৰত আৱশ্যকীয় এক বন্দোৱস্তি।

আনহাতে, ধাৰা ১২ (৩) অনুসৰি, গৌণ চৰ্ত হৈছে চুক্তিৰ মূল উদ্দেশ্যৰ আনুষংগিক এক বন্দোৱস্তি।

(২) উলংঘা কৰাৰ প্ৰতিক্ৰিয়া (Effect on breach) ঃ মুখ্য চৰ্ত উলংঘা কৰিলে চুক্তি ভংগ হোৱা বুলি গণ্য কৰাৰ অধিকাৰ উদ্ভৱ হয়। কিন্তু গৌণ চৰ্তৰ প্ৰতিশ্ৰুতি ভংগ কৰিলে ক্ষয়-

ক্ষতিৰ বাবে দাবী কৰাৰ অধিকাৰৰ উদ্ভৱ হয়, কিন্তু পণ্য নাকচ কৰাৰ অধিকাৰ নাপায় আৰু চুক্তি ভংগ হোৱা বুলি গণ্য কৰিব নোৱাৰি।

(৩) গণ্য কৰাৰ বিকল্প (Option of treatment) ঃ চর্তৰ ক্ষেত্রত, ক্ষতিগ্রস্ত পক্ষই এক বিকল্প হিচাপে চর্ত উলংঘাক গৌণ চর্তৰ প্রতিশ্রুতি ভংগ হিচাপে গণ্য কৰিব পাৰে। কিন্তু গৌণ চর্তৰ প্রতিশ্রুতি ভংগ কৰাৰ ক্ষেত্রত ক্ষতিগ্রস্ত পক্ষই এনে বিকল্প সুযোগ লাভ নকৰে। সেয়ে গৌণ চর্তৰ প্রতিশ্রুতি ভংগক চর্ত উলংঘা হিচাপে গণ্য কৰিব পৰা নাযায়।

মুখ্য চর্ত আৰু গৌণ চর্তৰ মাজৰ পার্থক্যবিলাক তলত দিয়া উদাহৰণৰ পৰা আৰু অধিক সহজে বুজিব পৰা যাব।

উদাহৰণ ঃ 'ক' 'খ'ৰ ওচৰলৈ গ'ল আৰু ঘণ্টাত ৩৫ কিলোমিটাৰ দৌৰিব পৰা এটা স্বাস্থ্যৱান ঘোঁৰা দেখুৱাবলৈ ক'লে। 'খ'ই এটা নির্দিষ্ট ঘোঁৰালৈ আঙুলি টোঁৱাই ক'লে যে এইটোৱেই তেওঁৰ উদ্দেশ্য পূৰণ কৰিব। 'ক'ই ঘোঁৰাটো ক্রয় কৰিলে আৰু দেখিলে যে ঘোঁৰাটো দুর্বল আৰু প্রতিঘণ্টাত ২০ কিঃ মিঃ বেগতহে দৌৰিব পাৰে। এতিয়া 'ক'ই ঘোঁৰাটো নাকচ কৰিব পাৰে যিহেতু বিক্রয়ৰ মুখ্য চর্ত হিচাপে, 'খ'ই কৰা উপস্থাপন সঠিক নাছিল।

জনা উচিত

পণ্য বিক্রয় আইন, ১৯৩০ত কেৱল ভাৰতত পণ্য বিক্রয় সম্পর্কীয় বিধিৰ বিষয়ে উল্লেখ আছে। পণ্য বিক্রয় আইন, ১৯৩০ মূলতঃ ইংলিছ পণ্য বিক্রয় আইন, ১৮৯৩ (English Sale of Goods Act, 1893)ৰ ওপৰত আধাৰিত। পণ্য বিক্রয় আইন, ১৯৩০ৰ পূর্বে পণ্য বিক্রয় সম্পর্কীয় বিধি ভাৰতীয় চুক্তি আইন, ১৮৭২ৰ chapter VIIত সামৰি লোৱা হৈছিল, কিন্তু তাত বিক্রয় ব্যৱস্থাৱলীয়েই যথেষ্ট নহয় বুলি পাছত প্রতিপন্ন হয়। সেয়ে, সুকীয়াকৈ এখন পণ্য বিক্রয় আইনৰ প্রয়োজনীয়তা বৰকৈ অনুভৱ কৰাত পণ্য বিক্রয় আইন, ১৯৩০ (Sale of Goods Act, 1930) নামেৰে এখন নতুন আইন গৃহীত হয়। ৬৬টা ধাৰা সন্নিবিষ্ট বর্তমানৰ আইনখন ১৯৩০ চনৰ ১ জুলাইৰ পৰা বলবৎ কৰা হয় আৰু জম্মু আৰু কাশ্মীৰৰ বাহিৰে সমগ্র ভাৰততে এই আইনখন প্রযোজ্য।



অগ্রগতি নিৰীক্ষণ (CHECK YOUR PROGRESS)

প্রশ্ন নং- ২ ঃ বিক্রয় আৰু বিক্রয় সন্মতিৰ মাজৰ দুটা পার্থক্য উল্লেখ কৰক।

_____

_____

৫.৬ পণ্যৰ মালিকী স্বত্ব হস্তান্তৰ (PASSING OF PROPERTY IN GOODS)

বিক্রয়ৰ একোটা চুক্তি দুটা পদ্ধতিৰে কার্যকৰী কৰিব পাৰি ঃ

১। পণ্যৰ ৰূপত থকা সম্পত্তি বা পণ্যৰ মালিকীস্বত্ব আৰু

২। পণ্যৰ তত্ত্বাৱধান।

একোজন লোকে পণ্যৰ তত্ত্বাৱধান লৈ থাকিলেও তেওঁ গৰাকী নহ'ব পাৰে যেনে— চাকৰ, প্রতিনিধি আদি। আনহাতে, পণ্যৰ তত্ত্বাৱধান নকৰিলেও কোনো লোকে তাৰ গৰাকী হ'ব পাৰে। বিক্রয়ৰ চুক্তিত যেতিয়া বিক্রেতাৰ পৰা ক্রেতালৈ পণ্যৰ মালিকীস্বত্ব হস্তান্তৰ কৰা হয়, তেতিয়া ক্রেতাজন পণ্যৰ গৰাকী হৈ পৰে।

সাধাৰণ নিয়ম অনুসৰি, মালিকীস্বত্বৰ হস্তান্তৰ নির্ভৰ কৰে চুক্তিৰ পক্ষসমূহৰ অভিপ্রায়ৰ ওপৰত। কিন্তু কেতিয়াবা পক্ষসমূহৰ অভিপ্রায় চুক্তিৰ পৰা ঠাৱৰ কৰিব পৰা নাযায়। তেনে ক্ষেত্রত, পণ্য বিক্রয় আইনৰ ধাৰা ১৮ৰ পৰা ২৪ৰ ভিতৰত থকা ব্যৱস্থাৱলীৰ ভিত্তিত পক্ষসমূহৰ অভিপ্রায় ঠাৱৰ কৰা হয়।

এই ব্যৱস্থাৱলী তলত আলোচনা কৰা হৈছে—

(১) অনিশ্চিত পণ্যৰ ক্ষেত্রত (ধাৰা ১৮ আৰু ২৩);

(২) নির্ধাৰিত পণ্যৰ ক্ষেত্রত (ধাৰা ২০ৰ পৰা ২২ লৈ) আৰু

(৩) অনুমোদন সাপেক্ষে কৰা বিক্রয়ৰ ক্ষেত্রত (ধাৰা ২৪)

অনিশ্চিত পণ্যৰ ক্ষেত্রত মালিকীস্বত্বৰ হস্তান্তৰ (Transfer of ownership in case of unascertained goods) ঃ

(ক) অনিশ্চিত পণ্য (Unascertained Goods) ঃ পণ্য বিক্রয় আইনৰ অনুচ্ছেদ ১৮ অনুসৰি, পণ্য নিশ্চিত নকৰা পর্যন্ত অনিশ্চিত পণ্য হস্তান্তৰ কৰা নহয়। বিক্রয়ৰ চুক্তি কৰাৰ সময়ত এই পণ্যবিলাক নির্দিষ্টকৈ চিনাক্ত কৰা নহয়। ইয়াক চিনাক্ত কৰা হয় আৰু ক্রেতাক অর্পণ কৰিবলৈ বেলেগকৈ থোৱা হয়।

(খ) পক্ষসমূহৰ অভিপ্রায় (The Intention of the parties) ঃ ধাৰা ১৯ অনুসৰি, উভয় পক্ষৰ অভিপ্রায়ৰ ওপৰত মালিকীস্বত্ব হস্তান্তৰ নির্ভৰ কৰে আৰু উভয় পক্ষই স্থিৰ কৰা সময়ত বিক্রেতাৰ পৰা ক্রেতালৈ মালিকীস্বত্ব হস্তান্তৰ কৰা হয়।

(গ) অনিশ্চিত বা ভৱিষ্যৎ পণ্য (Unascertained or future goods) ঃ ধাৰা ২৩ অনুসৰি, অনিশ্চিত বা ভৱিষ্যৎ পণ্য বিক্রয়ৰ ক্ষেত্রত, ক্রেতাক বর্ণনাৰ জৰিয়তে পণ্য অর্পণ কৰা হয়। যেতিয়া চুক্তিৰ সেই বিৱৰণৰ পণ্য নিঃচর্তভাৱে প্রদান কৰিব পৰা অৱস্থাত থাকে, তেতিয়া পণ্যৰ মালিকীস্বত্ব ৰূপত ক্রেতাক প্রদান কৰা হয়। এই কাম ক্রেতাৰ সন্মতি সাপেক্ষে বিক্রেতাই

নাইবা বিক্রেতাৰ সন্মতি সাপেক্ষে ক্রেতাই কৰিব পাৰে।

উদাহৰণ ঃ 'ক'ই তেওঁৰ ভঁৰালত থকা বৃহৎ পৰিমাণৰ চাউলৰ পৰা 'খ'ক ২০০ কিঃগ্রাম বিক্রয় কৰিবলৈ বন্দোবস্তি কৰিলে, চুক্তি মতে, নির্দিষ্ট দিনত যি দাম হয় সেই মতে পৰিশোধ কৰিব লাগিব। অন্যথা 'ক'ৰ ভঁৰালৰ পৰা পৃথক কৰি থোৱা ২০০ কিঃগ্রাঃ চাউল 'ক'ৰ পৰা 'খ' লৈ হস্তান্তৰ কৰা নহ'ব।

নির্দিষ্ট পণ্যৰ মালিকীস্বত্বৰ হস্তান্তৰ (Transfer of ownership in case of specific goods) ঃ

(ক) নির্দিষ্ট পণ্য (Specific goods) ঃ ধাৰা ২০ অনুসৰি, যিবোৰ পণ্য প্রদান কৰিব পৰা অৱস্থাত থাকে আৰু বিক্রয়ৰ চুক্তি কৰাৰ সময়তে বিক্রেতাৰ পৰা ক্রেতালৈ মালিকীস্বত্ব হস্তান্তৰ কৰা হয় সেইবোৰেই নির্দিষ্ট পণ্য।

(খ) যেতিয়া বিক্রেতাই কিবা কৰিবলগীয়া থাকে (When seller has something to do) ঃ ধাৰা ২১ অনুসৰি, নির্দিষ্ট পণ্য বিক্রয় কৰাৰ ক্ষেত্রত, যদি পণ্য প্রদান কৰিব পৰা অৱস্থাত নাথাকে আৰু ক্রেতাক পণ্য প্রদান কৰিবলৈ বিক্রেতাই কিবা কৰিবলগীয়া থাকে, তেতিয়া এনেধৰণৰ কৰিবলগীয়াখিনি নকৰা পর্যন্ত মালিকীস্বত্ব হস্তান্তৰ কৰা নহয় আৰু ক্রেতাই ইয়াৰ ওপৰত নজৰ ৰাখে।

(গ) যেতিয়া পণ্যৰ জোখ-মাখ, পৰীক্ষা কৰিবলগীয়া থাকে (When goods are to be measured, tested) ঃ ধাৰা ২২ অনুসৰি, নির্দিষ্ট পণ্য বিক্রয়ৰ চুক্তিত, যেতিয়া পণ্য প্রদান কৰিব পৰা অৱস্থাত থাকে কিন্তু, বিক্রেতাই পণ্যৰ ওজন, জোখ-মাখ, পৰীক্ষা বা আন কিবা কাম কৰিবলগীয়া থাকে বা পণ্যৰ মূল্য নিৰূপণ কৰিবলগীয়া থাকে তেতিয়া এনেধৰণৰ কামবিলাক নকৰা পর্যন্ত মালিকীস্বত্ব হস্তান্তৰ কৰা নহয় আৰু ক্রেতাই এই কামবিলাকত নজৰ ৰাখে।

সম্পত্তি সাপেক্ষ বিক্রয়ৰ ক্ষেত্রত মালিকীস্বত্বৰ হস্তান্তৰ (Transfer of ownership in case of sale of approval) ঃ

(ক) সন্মতি সাপেক্ষে পঠোৱা পণ্য (Goods sent on approval) ঃ সন্মতি সাপেক্ষে কৰা বিক্রয় বা ফিৰাই দিয়া (return) অনুসৰি কৰা বিক্রয়ৰ ক্ষেত্রত, এছোৱা যুক্তিসংগত সময়ৰ ভিতৰত ক্রেতাই বিক্রেতাক পণ্য ওভতাই দিয়াৰ এক বিকল্প সুযোগ লাভ কৰে। এনেকুৱা ক্ষেত্রত ক্রেতাই পণ্য গ্রহণ কৰাৰ সময়ত মালিকীস্বত্ব হস্তান্তৰ কৰা হয়। যদি যুক্তিসংগত সময়ছোৱাৰ ভিতৰত ক্রেতাই পণ্য ওভতাই নিদিয়ে তেতিয়া বিক্রেতাই ক্রেতাৰ পৰা পণ্যৰ মূল্য আদায় কৰিব পাৰে।

সন্মতি সাপেক্ষে কৰা বিক্রয়ৰ ক্ষেত্রত তিনিটা উপায়েৰে ক্রেতালৈ মালিকীস্বত্ব হস্তান্তৰ কৰা হয় ঃ

- যেতিয়া ক্রেতাই পণ্য গ্রহণ কৰে, বা
- যেতিয়া ক্রেতাজনে কিছুমান কাম কৰে, যাৰ দ্বাৰা তেওঁ গ্রহণ কৰাটো বুজায়, বা
- এছোৱা নির্দিষ্ট সময়ৰ ভিতৰত পণ্য ওভতাই দিয়াত ক্রেতাজন ব্যর্থ হ'লে।

ধাৰ ২৪ অনুসৰি, ওভতাই দিয়াৰ বিকল্প সুযোগ বা সন্মতি ভিত্তিক বিক্রয়ৰ চুক্তিৰ অধীনত যেতিয়া পণ্য বিক্রয় কৰা হয়, তেনেধৰণৰ বিক্রয় এক চর্ত সাপেক্ষ বিক্রয়। ক্রেতাৰ সন্মতি অনুসৰি পণ্য ক্রেতাক প্রদান কৰা হয়।

(খ) বাতিল কৰাৰ অধিকাৰ সংৰক্ষণ (Reservation of Right of Disposal) ঃ ধাৰ ২৫ অনুসৰি, বাতিল কৰাৰ অধিকাৰ সংৰক্ষণ বুলিলে বিক্রেতাই কৰা তেনেধৰণৰ, কার্য বুজায়, য'ত কেতবোৰ নির্দিষ্ট চর্ত পূৰণ নকৰা পর্যন্ত বিক্রেতাই পণ্যৰ ওপৰত থকা নিয়ন্ত্রণ ভাগ বটোৱাৰা কৰিব নিবিচৰাটো প্রকাশ পায়। তেতিয়া, এনেধৰণৰ চর্তাৱলী পূৰণ কৰা হ'লে পণ্য হস্তান্তৰ কৰা হয়।

উদাহৰণ ঃ 'ক'ই এটা ট্রাংকত 'খ'ক ১০০ বস্তা চাউল যোগান ধৰিলে, ইয়াত চুক্তি বাতিল কৰাৰ অধিকাৰ সংৰক্ষণ কৰা হোৱা নাছিল। এই ক্ষেত্রত পৰিবহনকাৰীক পণ্য চমজাই দিয়াৰ পাছতে 'খ'ক চাউলখিনি প্রদান কৰা হ'ব।

৫.৭ অনাধিকাৰীসকলৰ দ্বাৰা মালিকীস্বত্ব হস্তান্তৰ (TRANSFER OF TITLE BY NON-OWNERS)

সাধাৰণ নিয়ম অনুসৰি, এজন বিক্রেতাই পণ্যৰ ওপৰত থকা তেওঁৰ নিজৰ স্বত্বতকৈ অধিক স্বত্ব ক্রেতালৈ হস্তান্তৰ কৰিব নোৱাৰে। যদি বিক্রেতাৰ স্বত্ব বিসংগতিপূর্ণ হয়, ক্রেতাৰ স্বত্বও বিসংগতিপূর্ণ হৈ পৰিব। ধাৰা ২৭ অনুসৰি, 'যেতিয়া এনে এজন লোকে পণ্য বিক্রয় কৰে যিজন লোক পণ্যৰ স্বত্বাধিকাৰী নহয় আৰু স্বত্বাধিকাৰীৰ কর্তৃত্ব বা সন্মতি সাপেক্ষে যি পণ্য বিক্রয় কৰা নাই, তেনে ক্ষেত্রত পণ্যৰ ওপৰত বিক্রেতাজনৰ যি স্বত্ব থাকে ক্রেতাই তাতকৈ ভাল বা অধিক স্বত্ব লাভ নকৰে।' ইয়াৰ ইয়াৰ দ্বাৰা 'Nemo Det Quod Non Habet' বাক্যষাৰকে বুজোৱা হৈছে, যাৰ অর্থ হ'ল— নিজে নোপোৱাটো কোনেও আনক দিব নোৱাৰে। অৱশ্যে, ওপৰৰ নিয়মৰ কেতবোৰ ব্যতিক্রমো আছে। সেয়ে, যদিও এজন লোক পণ্যৰ গৰাকী নহয়, তেতিয়াও তেওঁ পণ্য বিক্রয় কৰিব পাৰে আৰু তেওঁৰ নিজৰ হাতত থকা স্বত্বতকৈ অধিক ভাল স্বত্ব হস্তান্তৰ কৰিব পাৰে। এই নিয়মৰ ব্যতিক্রমবিলাক হৈছে ঃ

(১) বাণিজ্যিক প্রতিনিধিৰ দ্বাৰা বিক্রয় (Sale by a mercantile agent) ঃ পণ্যৰ গৰাকীয়ে যদি তেওঁৰ হৈ পণ্য বিক্রয় কৰিবলৈ এজন বাণিজ্যিক প্রতিনিধিক কর্তৃত্ব দিয়ে, তেতিয়া এনেধৰণৰ বিক্রয় বিধিসন্মত হ'ব। এনেকুৱা ক্ষেত্রত, ক্রেতাই পণ্যৰ যথোচিত স্বত্ব লাভ কৰিব পাৰে। নিম্নোল্লিখিত চর্তবিলাক পূৰণ কৰিলে এই ব্যতিক্রম প্রযোজ্য হ'ব ঃ

(১) বাণিজ্যিক প্রতিনিধি হিচাপে কর্তৃত্ব প্রাপ্ত লোকজনৰ সামর্থৰ ভিতৰত পণ্যৰ তত্ত্বাৱধান বা পণ্যৰ স্বত্বৰ নথিপত্র লেনদেনৰ কর্তৃত্ব আৰু তেওঁৰ গৰাকী বা স্বত্বাধিকাৰীৰ সন্মতি থাকিব লাগিব।

(২) ব্যৱসায়ৰ সাধাৰণ লেনদেন কৰি থকাৰ সময়তে তেওঁ পণ্য বিক্রয় কৰিব লাগিব।

(৩) বাণিজ্যিক প্রতিনিধিজনৰ পণ্য বিক্রয় কৰাৰ কোনো কর্তৃত্ব নাথাকিলে, চুক্তি কৰাৰ সময়ত কোনো জাননী নোপোৱাকৈ ক্রেতাজনে বিশ্বাসৰ ওপৰত ভিত্তি কৰি কাম কৰিব লাগিব।

(২) অকাট্য প্রমাণৰ জৰিয়তে স্বত্বৰ হস্তান্তৰ (Transfer of title by estoppels) ঃ এই ব্যতিক্রমটো ব্যক্তিগত অকাট্য প্রমাণৰ নীতিৰ ওপৰত আধাৰিত। কেতিয়াবা, পণ্যৰ প্রকৃত স্বত্বাধিকাৰীজনে তেওঁৰ আচ�ৰণৰ বা কথাৰ বা কার্যৰ দ্বাৰা বিক্রেতাজনেই পণ্যৰ গৰাকী বা পণ্য বিক্রয় কৰাৰ তেওঁৰ কর্তৃত্ব আছে বুলি ক্রেতাজনক পতিয়ন নিয়াবলৈ চেষ্টা কৰিব পাৰে। এনেকুৱা ক্ষেত্রত তাৰ পাছত বিক্রেতাৰ বিক্রয় কৰাৰ কর্তৃত্ব তেওঁ অস্বীকাৰ কৰিব নোৱাৰে।

(৩) যুটীয়া স্বত্বাধিকাৰীৰ দ্বাৰা বিক্রয় (Sale by a joint owner) ঃ যদি পণ্যৰ কেইবাজনো যুটীয়া গৰাকী থাকে, সহযোগী তত্ত্বাৱধান লয়, তেতিয়া এনেধৰণৰ যুটীয়া গৰাকীৰ পৰা যিজনে পণ্য ক্রয় কৰে তেওঁক পণ্যৰ স্বত্ব হস্তান্তৰ কৰা হয়। এই ব্যতিক্রম প্রয়োগ কৰিবলৈ তলৰ চর্তবিলাক পূৰণ কৰিবই লাগিব ঃ

(১) স্বত্বাধিকাৰীসকলৰ যিকোনো এজনৰ জিম্মাত পণ্যখিনি থাকিব লাগিব।

(২) যুটীয়া স্বত্বাধিকাৰীজনে সহযোগীসকলৰ অনুমতি পাব লাগিব।

(৩) ক্রেতাজনে বিশ্বাসেৰে পণ্য ক্রয় কৰিব লাগিব।

(৪) বিক্রেতাজনৰ যে বিক্রয় কৰাৰ কর্তৃত্ব নাই সেই কথাৰ প্রতি ক্রেতাজনে ভ্রূক্ষেপ কৰিব নালাগিব।

(৪) বাতিলৰ যোগ্য চুক্তিৰ অধীনত তত্ত্বাৱধায়ক ব্যক্তিৰ দ্বাৰা বিক্রয় (Sale by person in possession under voidable contract) ঃ ধাৰা ২৯ অনুসৰি, বাতিল নোহোৱা অথচ বাতিলৰ যোগ্য চুক্তিৰ অধীনত পণ্যৰ তত্ত্বাৱধান লোৱা লোকে ক্রেতাক যথোচিত স্বত্ব হস্তান্তৰ কৰিব পাৰে। ক্রেতাজনে বিশ্বাস সহকাৰে পণ্য ক্রয় কৰিব লাগে আৰু বিক্রেতাৰ বিসংগতিপূর্ণ স্বত্বৰ প্রতি লক্ষ্য কৰিব নালাগে।

(৫) বিক্রয়ৰ পাছত তত্ত্বাৱধায়ক বিক্রেতাৰ দ্বাৰা বিক্রয় (Sale by seller in possession after sale) ঃ ধাৰা ৩০ (১) অনুসৰি, যেতিয়া এজন লোকে পণ্য বিক্রয় কৰাৰ পাছতো পণ্য নিজৰ তত্ত্বাৱধানত ৰাখে বা পণ্যৰ স্বত্বৰ নথিপত্র তেওঁ লগতে থাকে, তেতিয়া তেওঁ এজন তৃতীয় ব্যক্তিক সেই পণ্য বিক্রয় কৰিব পাৰে আৰু যদি তৃতীয় ব্যক্তিজনে পূর্বৰ বিক্রয়ৰ প্রতি ভ্রূক্ষেপ নকৰি বিশ্বাস সহকাৰে পণ্য গ্রহণ কৰে, তেতিয়া তৃতীয় ব্যক্তিজনে

পণ্যৰ যথোচিত স্বত্ব পাব পাৰে। এই ব্যতিক্রম প্রয়োগ কৰিবলৈ, পণ্য বিক্রয় কৰাৰ পাছতো বিক্রেতাৰ তত্ত্বাৱধানত থাকিব লাগিব আৰু তৃতীয় ব্যক্তিজনক পণ্য বা স্বত্বৰ নথিপত্রৰ হস্তান্তৰ কৰিলেহে তৃতীয় ব্যক্তিজন পণ্যৰ স্বত্বাধিকাৰীত পৰিণত হ'ব।

(৬) বিক্রয়ৰ পাছত তত্ত্বাৱধায়ক ক্রেতাৰ দ্বাৰা বিক্রয় (Sale by buyer in possession after sale) ঃ ধাৰা ৩০ (২) অনুসৰি, যেতিয়া এজন ক্রেতাই কোনো পণ্য ক্রয় কৰে বা ক্রয় কৰিবলৈ বন্দোৱস্তি কৰে, পণ্য বা স্বত্বৰ নথিপত্র নিজৰ তত্ত্বাৱধানত ৰাখিবলৈ বিক্রেতাৰ সম্মতি লাভ কৰে, তেতিয়া তেওঁ আন এজনক সেই পণ্য বিক্রয় কৰিব পাৰে। এই বিক্রয়ৰ সময়ত, যদি ক্রেতাজনে পণ্যৰ জিম্মা লাভ নকৰে, তেতিয়া এই ব্যতিক্রম প্রযোজ্য নহ'ব।

(৭) পৰিশোধ নোহোৱা বিক্রেতাৰ দ্বাৰা বিক্রয় (Sale by an anpaid seller) ঃ যদি পৰিশোধ নোহোৱা অর্থাৎ পণ্যৰ মূল্য লাভ নকৰা বিক্রেতাজনে অনা-নিয়া কৰা বা বাটত ৰখোৱাৰ স্বত্ব কার্যকৰী কৰোঁতে পণ্য পুনৰ বিক্রয় কৰে, তেতিয়া ক্রেতাজনে আগত ক্রেতাজনৰ দৰেই যথোচিত স্বত্ব লাভ কৰিব, যদিওবা সেই পৰিস্থিতিত পুনৰ বিক্রয় বিধিসম্মত নহয়।

(৮) অন্যান্য আইনত থকা ব্যতিক্রম (Exception under other Acts) ঃ কেতবোৰ আইন অনুসৰি, একোজন লোকে পণ্যৰ গৰাকী নহ'লেও পণ্য বিক্রয় কৰিব পাৰে আৰু তেওঁ নিজে লাভ কৰি থকাতকৈও ভাল স্বত্ব হস্তান্তৰ কৰিব পাৰে। উদাহৰণ স্বৰূপে—

(১) চুক্তি আইনৰ ধাৰা ১৬৯ অনুসৰি, একোজন হেৰাই পাওঁতাৰ বিক্রয় কৰাৰ অধিকাৰ থাকে।

(২) চুক্তি আইনৰ ধাৰা ১৭৬ অনুসৰি, কেতবোৰ চর্ত পূৰণ কৰি বন্ধকত ৰখা পণ্য বন্ধক লওঁতাই বিক্রয় কৰিব পাৰে।

(৩) কেতবোৰ নির্দিষ্ট ক্ষেত্রত, আদালতৰ বিষয়া, কোম্পানীৰ ঋণ পৰিশোধকাৰী, দেউলীয়া প্রতিষ্ঠানৰ গ্রহণকাৰী, অপৰিশোধিত শুল্কৰ বাবে শুল্ক বিষয়া আদিক বিক্রয়ৰ এক বিশেষ অধিকাৰ প্রদান কৰা হয়।

(৪) বিশ্বাস সহকাৰে একোজন লোকে যদি একোখন হস্তান্তৰযোগ্য চুক্তিপত্র লয় আৰু যদি ইয়াৰ মূল্য প্রকৃত গৰাকীৰ নামত থাকে, আনকি তেওঁ যদি কোনোবা চোৰ বা হেৰাই পাওঁতাৰ পৰাও লয়, তেতিয়াও তেওঁ তাৰ স্বত্ব পাব পাৰে।

(৯) পোনপটীয়া বজাৰত বিক্রয় (Sale in market overt) ঃ English Law অনুসৰি, যি পণ্য একোজন লোকৰ নিজৰ নহয় তেনে পণ্য বিধিসম্মতভাৱে তেওঁ বিক্রয় কৰিব নোৱৰাৰ এক ব্যতিক্রম আইন আছে। পোনপটীয়া বজাৰত কৰা বিক্রয়ৰ ক্ষেত্রত এই আইন প্রযোজ্য হয়। অৱশ্যে ভাৰতত ই প্রযোজ্য নহয়।

৫.৮ বিক্রয় চুক্তিৰ কার্য সম্পাদন (PERFORMANCE OF CONTRACT OF SALE) ঃ

পণ্য বিক্রয় আইনৰ ধাৰা ২ (২) অনুসৰি, অর্পণ বা প্রদান (delivery) বুলিলে এজন লোকৰ পৰা আন এজনলৈ অধিকাৰ বা দখল (possession)ৰ স্বেচ্ছামূলক হস্তান্তৰ বুজায়। ছাৰ ফ্রেডেৰিক পোল'কৰ মতে, অর্পণ হৈছে আনৰ হকে স্বেচ্ছামূলক অধিকাৰ ত্যাগ। অর্পণ বা প্রদান তিনি প্রকাৰৰ আছে, যেনে— প্রকৃত (actual), প্রতীকী (symbolic) আৰু গঠনমূলক (constructive delivery)। ক্রেতাক বস্তুগতভাৱে পণ্য প্রদান কৰাক প্রকৃত প্রদান বোলা হয়। যেতিয়া পণ্য বস্তুগতভাৱে অর্পণ কৰা নহয় কিন্তু একোটা প্রতীকৰ জৰিয়তে অর্পণ কৰা হয় (যেনে— পণ্যৰ স্বত্বৰ নথিপত্র প্রদান ইত্যাদি) তেতিয়াই প্রতীকী অর্পণ সম্পন্ন হয়। যেতিয়া ক্রেতাৰ হৈ তৃতীয় ব্যক্তিয়ে পণ্যৰ তত্ত্বাৱধান লয় তেতিয়া গঠনমূলক অর্পণ সম্পন্ন হয়। উদাহৰণ স্বৰূপে, 'ক'ই 'খ'ক ৫০ বস্তা চাউল বিক্রয় কৰিলে আৰু 'গ'ই তেওঁৰ গুদামঘৰত নি চাউলখিনি ৰাখিলে আৰু এই কামটো কৰিবলৈ 'ক'ই 'গ'ক নির্দেশ দিছিল।

অর্পণ সম্পর্কীয় বিধি (Rules Regarding Delivery) ঃ

বিভিন্ন ধাৰাত বিক্রয় চুক্তিৰ কার্য সম্পাদন সম্পর্কীয় বিভিন্ন বিধি বিধান উল্লেখ আছে, সেইবিলাক হৈছে ঃ

(১) অর্পণৰ পদ্ধতি (Mode of Delivery) ঃ ধাৰা ৩৩ অনুসৰি, যিকোনো কার্যৰ জৰিয়তে পণ্য অর্পণ কৰিব পৰা যায়, যি কার্যৰ দ্বাৰা পক্ষসমূহৰ বন্দোৱস্তি অনুসৰি পণ্য অর্পণ কৰা হ'ব বা ক্রেতা বা তেওঁৰ দ্বাৰা কর্তৃত্বপ্রাপ্ত যিকোনো লোকৰ অধিকাৰৰ অধীনত পণ্য ৰখা হ'ব। এনেদৰে পণ্য অর্পণ প্রকৃত বা প্রতীকী বা গঠনমূলক যিকোনো ধৰণৰ হ'ব পাৰে।

(২) অর্পণ আৰু পৰিশোধ হৈছে সংলগ্ন চর্ত (Delivery and payment are concurrent condition) ঃ ধাৰা ৩২ অনুসৰি, মূল্য পৰিশোধ আৰু পণ্য অর্পণ হৈছে সংলগ্ন চর্ত যদিহে অন্য ধৰণে বন্দোবস্তি কৰা নাথাকে। যদি ক্রেতাই মূল্য আদায় দিব নিবিচাৰে, পণ্যও অর্পণ কৰা নহয় বা বিক্রেতাই পণ্য আর্পণ কৰিবলৈ সাজু নহ'লে আৰু অর্পণ কৰিবলৈ ইচ্ছা নকৰিলে মূল্য পৰিশোধ কৰাৰো আৱশ্যক নাই।

উদাহৰণ ঃ 'ক'ই 'খ'ক পণ্য যোগান ধৰিবলৈ সন্মত হ'ল, য'ত 'খ'ই পণ্য অর্পিত হোৱাৰ সময়ত মূল্য পৰিশোধ কৰিব লাগিব। সেয়ে, 'খ' সাজু নাথাকিলে 'ক'ই পণ্য অর্পণ কৰাৰ দৰকাৰ নাথাকে।

(৩) আংশিক অর্পণৰ পৰিণাম (Effect of party delivery) ঃ ধাৰা ৩৪ অনুসৰি, বিক্রী হোৱা পণ্যৰ এটা অংশ অর্পণ কৰাটো গোটেইখিনি অর্পণ কৰাৰ সমান হ'ব পাৰে, যদি তেনে

কৰিবলৈ অভিপ্ৰায় ৰখা হৈছিল আৰু বন্দোৱস্তি কৰা হৈছিল। কিন্তু, যদিহে গোটেইখিনি পণ্য অৰ্পণ কৰাৰ অভিপ্ৰায়েৰে এটা অংশ অৰ্পণ কৰা হয়, তেতিয়া সেই অংশটো অৰ্পণ কৰা কাৰ্য গোটেইখিনি অৰ্পণৰ সমান হ'ব নোৱাৰে।

উদাহৰণ ঃ 'ক'ই 'খ'ক ১০০ কিঃ গ্ৰাঃ ঘেঁহু বিক্ৰয় কৰিলে। ঘেঁহুখিনি 'ক'ৰ গুদাম ঘৰত আছে। বিক্ৰয় কৰাৰ পাছত 'খ'ই তাৰে ২০ কিঃ গ্ৰাঃ ঘেঁহু 'গ'ক আকৌ বিক্ৰয় কৰিলে; আৰু 'ক'ৰ ইচ্ছা অনুসৰি 'খ'ই এই ২০ কিঃ গ্ৰাঃ ঘেঁহু 'গ'লৈ পঠাই দিলে। ই হৈছে গোটেইখিনি অৰ্পণ কৰাৰ এক বিধিসন্মত পৰিণাম।

(৪) ক্ৰেতাই অৰ্পণ কৰিবলৈ আহ্বান জনাব লাগে (Buyer to apply for delivery) ঃ বন্দোৱস্তি নাথাকিলে নাইবা ক্ৰেতাই পণ্য অৰ্পণৰ বাবে অনুৰোধ নকৰালৈকে, ধাৰা ৩৫ অনুসৰি, বিক্ৰেতা পণ্য অৰ্পণ কৰিবলৈ বাধ্য নহয়।

(৫) অৰ্পণৰ স্থান (Place of delivery) ঃ ধাৰা ৩৬ অনুসৰি, কোন ঠাইত পণ্য অৰ্পণ কৰা হ'ব সেই কথা পক্ষসমূহৰ মাজৰ বন্দোৱস্তিত উল্লেখ থাকিব। এনেধৰণৰ চুক্তি নাথাকিলে যি ঠাইত পণ্য বিক্ৰয় কৰা হয় সেই ঠাইতে অৰ্পণ কৰা হ'ব।

(৬) অৰ্পণৰ সময় (Time of delivery) ঃ পণ্য বিক্ৰয় আইনৰ ধাৰা ৩৬ (২) আৰু (৪) অনুসৰি, যেতিয়া ক্ৰেতালৈ বিক্ৰেতাই পণ্য প্ৰেৰণ কৰিবলৈ বাধ্য, কিন্তু পণ্য প্ৰেৰণ কৰাৰ সময় স্থিৰ কৰা হোৱা নাছিল, তেনে ক্ষেত্ৰত এক যুক্তিসংগত সময়ৰ ভিতৰত বিক্ৰেতাই পণ্য প্ৰেৰণ কৰিব লাগে।

(৭) অৰ্পণৰ ধৰণ (Manner of delivery) ঃ ধাৰা ৩৬ (৩) অনুসৰি, বিক্ৰয় কৰাৰ সময়ত যদি পণ্য তৃতীয় ব্যক্তিৰ তত্ত্বাৱধানত বা অধিকাৰত থাকে তেনে ক্ষেত্ৰত তৃতীয় ব্যক্তিজনে ক্ৰেতাজনক পণ্য নিজৰ তত্ত্বাৱধানত ৰখা বুলি স্বীকাৰ নকৰা পৰ্যন্ত বিক্ৰেতাই ক্ৰেতাক পণ্য অৰ্পণ কৰিব নোৱাৰে। পণ্য তৃতীয় পক্ষৰ তত্ত্বাৱধানত থকা সত্ত্বেও পণ্যৰ স্বত্বৰ নথিপত্ৰ হস্তান্তৰ হ'ব পাৰে আৰু এই ক্ষেত্ৰত ই প্ৰযোজ্য নহ'ব।

(৮) অৰ্পণৰ ব্যয় (Expenses of delivery) ঃ ধাৰা ৩৬ (৫) অনুসৰি, অৰ্পিত পণ্য গ্ৰহণ কৰোঁতে হোৱা ব্যয় ক্ৰেতাই বহন কৰিব লাগে। কিন্তু অৰ্পণ কৰিবলগীয়া স্থানত পণ্য ৰাখোতে হোৱা ব্যয় বিক্ৰেতাই বহন কৰিব লাগে। যদি অৰ্পণ কৰিবলগীয়া স্থানত পণ্য ৰখা বা ৰাখোতে ঘটনাক্ৰমে হোৱা ব্যয়ৰ ক্ষেত্ৰত পক্ষসমূহৰ মাজত যিকোনো ধৰণৰ বন্দোৱস্তি থাকে, তেতিয়া এই বন্দোৱস্তিয়ে পক্ষসমূহৰ অধিকাৰ নিৰ্ধাৰণ কৰিব।

(৯) অশুদ্ধ পৰিমাণৰ অৰ্পণ (Delivery of wrong quantity) ঃ ধাৰা ৩৭ অনুসৰি, পণ্যৰ ধৰণ, মাণদণ্ড আৰু পৰিমাণৰ ক্ষেত্ৰত ক্ৰেতাই দিয়া ফৰমাইচৰ সৈতে সংগতি ৰখাটো বিক্ৰেতাৰ কৰ্তৃত্ব। ক্ৰেতাৰ নিৰ্দেশ বা দিহা অনুসৰি পণ্য অৰ্পণ কৰিব লাগে। আসোঁৱাহপূৰ্ণ অৰ্পণৰ ক্ষেত্ৰত ক্ৰেতাই পণ্য নাকচ কৰিব পাৰে।

(১০) অর্পণৰ কিস্তি (Installments of delivery) ঃ ধাৰা ৩৮ অনুসৰি, বন্দোৱস্তিত অন্যধৰণৰ উল্লেখ নাথাকিলে কিস্তি হিচাপত অর্পণ কৰা পণ্য গ্রহণ কৰিবলৈ ক্রেতা বাধ্য নহয়। পাৰস্পৰিক সন্মতি সাপেক্ষে চুক্তিৰ কার্য সম্পাদন খণ্ড খণ্ডকৈ হ'ব পাৰে। যেতিয়া একোটা চুক্তিত মূল্য কিস্তি কিস্তিকৈ পৰিশোধ কৰা হয়, তেতিয়া এনেধৰণৰ কিস্তি পৰিশোধত ব্যর্থ হ'লে চুক্তি ভংগ হয়।

(১১) পৰিবহনকাৰীৰ অর্পণ (Delivery of carrier) ঃ ধাৰা ৩৯ অনুসৰি, যদি ক্রেতালৈ পণ্য প্রেৰণ কৰাৰ বাবে বিক্রেতাজনক কর্তৃত্ব দিয়া থাকে, তেতিয়া পণ্যৰ সুৰক্ষাৰ বাবে বিক্রেতাই যথোচিত পদক্ষেপ গ্রহণ কৰিব লাগে। পণ্যৰ পৰিবহনকাৰীৰ সৈতে চুক্তি কৰাটো বিক্রেতাৰ কর্তব্য। সাগৰীয় পথেৰে পণ্য প্রেৰণ কৰিলে, সাগৰত হ'ব পৰা আশংকাৰ বিপৰীতে পণ্যৰ বীমা কৰাবলৈ ক্রেতাক অৱগত কৰাটো বিক্রেতাৰ কর্তব্য।

(১২) দূৰণিৰ স্থানত অর্পণ কৰা পণ্য (Goods delivered at a distance place) ঃ ধাৰা ৪০ অনুসৰি, যি বন্দোৱস্তিত বিক্রেতাই তেওঁৰ নিজৰ দায়িত্বত পণ্য অর্পণ কৰিবলৈ সন্মত হয় তেতিয়া বাটত নিওঁতে পণ্য মানদণ্ড হ্রাস হোৱাৰ ফলত হোৱা ক্ষতি ক্রেতাই বহন কৰিব।

(১৩) অর্পণৰ সময়ত পণ্যৰ পৰীক্ষা (Examining the goods on delivery) ঃ ধাৰা ৪১ অনুসৰি, যদি ক্রেতাই পণ্য পৰীক্ষা নকৰে, তেতিয়া পণ্য পৰীক্ষা কৰাৰ সুযোগ ক্রেতাই গ্রহণ নকৰা পর্যন্ত বিক্রেতাই পণ্য অর্পণ নকৰিব। চুক্তি অনুসৰি পণ্য আছেনে নাই সেই কথা নির্ধাৰণ কৰিবলৈ ক্রেতাক পণ্য পৰীক্ষা কৰাৰ এক যুক্তিসংগত সুযোগ দিব লাগিব অন্যথা তেওঁ পণ্য নাকচ কৰিব পাৰে।

(১৪) অর্পণৰ পাছত গ্রহণ সম্পূর্ণ কৰা (Acceptance complete on delivery) ঃ ধাৰা ৪২ অনুসৰি, পণ্য অর্পণ কৰাৰ পাছত ক্রেতাই বিক্রেতাক পণ্য গ্রহণ কৰা বুলি অৱগত কৰিব লাগে। ক্রেতাক যে পণ্য অর্পণ কৰা হ'ল আৰু সেই পণ্য যে তেওঁ গ্রহণ কৰিছে সেই বিষয়ে বিক্রেতাক জনাব লাগে। তদুপৰি, পণ্য নাকচ কৰাৰ বিষয়ে বিক্রেতাক অৱগত নকৰাকৈও এক যুক্তিসংগত সময়ৰ বাহিৰতো ক্রেতাই পণ্য ৰাখি থ'ব পাৰে।

(১৫) নাকচ হোৱা পণ্য ওভতাই দিবলৈ ক্রেতা বাধ্য নহয় (Buyer not bound to return rejected goods) ঃ ধাৰা ৪৩ অনুসৰি, ক্রেতাক পণ্য অর্পণ কৰাৰ পাছত যদি ক্রেতাই পণ্য গ্রহণ কৰিবলৈ অস্বীকাৰ কৰে তেতিয়া তেওঁ বিক্রেতালৈ পণ্য ওভতাই নপঠিয়াবও পাৰে। তেওঁ পণ্য গ্রহণ কৰিবলৈ অস্বীকাৰ কৰিছে বুলি বিক্রেতাক অৱগত কৰাটোৱেই যথেষ্ট। উত্তৰ পক্ষৰ মাজত হোৱা চুক্তি অনুসৰি এই বিধি প্রযোজ্য হয়।

(১৬) সামগ্রীৰ অর্পণ অৱহেলা বা নাকচ কৰাৰ বাবে ক্রেতাৰ দায়বদ্ধতা (Liability of buyer for neglecting or refusing delivery of goods) ঃ ধাৰা ৪৪ অনুসৰি, যেতিয়া বিক্রেতাজনে পণ্য অর্পণ কৰিবলৈ ইচ্ছা কৰে আৰু ক্রেতাজনক তেওঁৰ অর্পণ গ্রহণ

কৰিবলৈ অনুৰোধ জনায়, তেতিয়া ক্ৰেতাজনৰ অৱহেলাৰ বাবে হোৱা যিকোনো ধৰণৰ ক্ষতিৰ বাবে বা পণ্যৰ তত্ত্বাৱধান আৰু জিম্মাৰ বাবে এক যুক্তিসংগত ব্যয় বহন কৰাৰ ক্ষেত্ৰত ক্ৰেতাজন দায়বদ্ধ হ'ব। ধাৰা ৪৪ ও লগতে উল্লেখ আছে যে আনকি ক্ৰেতাজন অৰ্পিত পণ্য নাকচ কৰিলেও ওপৰোক্ত অধিকাৰ বিক্ৰেতাজনে লাভ কৰিব পাৰে।

জনা উচিত

বিক্ৰয়ৰ একোটা চুক্তিত পৰস্পৰ নিৰ্ভৰশীল প্ৰতিশ্ৰুতি জড়িত হৈ থাকে, কিয়নো, বিক্ৰেতাজনে পণ্য অৰ্পণ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে আৰু ক্ৰেতাজনে পণ্য মূল্য পৰিশোধ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। পণ্য অৰ্পণ আৰু মূল্য পৰিশোধ দুয়োটা একেলগে উদ্ভৱ হোৱা চৰ্ত, ইয়াৰ বিপৰীতে পলম নকৰাকৈ পণ্য অৰ্পণ কৰা হ'ব বুলি বিক্ৰেতাজনে প্ৰযোজ্য প্ৰতিশ্ৰুতি প্ৰদান কৰে আৰু ক্ৰেতাজনে পণ্য গ্ৰহণ কৰিব আৰু মূল্য পৰিশোধ কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে। সেয়ে ক্ৰেতাৰ ওচৰত পণ্য পঠাই দিয়াটো বিক্ৰেতাৰ দায়িত্ব। অৱশ্যে, ক্ৰেতাজনে পণ্য অৰ্পণৰ বাবে অনুৰোধ নকৰা পৰ্যন্ত তেওঁ তেনেকুৱা কৰিব নোৱাৰে।

অনুশীলনী ১

(১) 'ক' এখন গাড়ীৰ মালিক। গাড়ীখন ১০,০০০/- টকাত বা ততোধিক মূল্যত বিক্ৰয় কৰিবলৈ 'ক'ই এজন ব্যৱসায়ী প্ৰতিনিধি 'খ'ক দিলে। 'খ' ই গাড়ীখন 'গ'ক ৮,০০০ টকাত বিক্ৰয় কৰিলে আৰু টকাখিনি লৈ পলাই গ'ল। 'ক'ই 'খ'ক তেওঁৰ গাড়ীখন দিবলৈ ক'লে। 'ক'ই 'গ'ৰ পৰা গাড়ীখন উদ্ধাৰ কৰিব পাৰেনে?

(২) 'ক' হৈছে এটা গেছ কোম্পানীৰ গুদাম ঘৰৰ ৰখীয়া। গেছ এজেঞ্চিৰ মেনেজাৰ 'খ'ই ১০০টা চিলিণ্ডাৰ 'গ'ক অৰ্পণ কৰিবলৈ 'ক'ক নিৰ্দেশ দিলে। অৰ্পণৰ নিৰ্দেশনাটোলৈ 'গ' 'ক'ৰ ওচৰলৈ গ'ল। 'ক'ই পৰৱৰ্তী দিনত ১০০ টা চিলিণ্ডাৰ অৰ্পণ কৰিব বুলি সন্মতি জনালে। এতিয়া 'গ'ক গেছ চিলিণ্ডাৰ কেইটা অৰ্পণ কৰাত এজেঞ্চিটোৱে 'ক'ক বাধা দিব পাৰেনে?

অগ্ৰগতি নিৰীক্ষণ (CHECK YOUR PROGRESS)

প্ৰশ্ন নং ৩ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(ক) পণ্যৰ মালিকী স্বত্বৰ লগতে ক্ষতিৰ আশংকাত বিক্ৰেতাৰ পৰা ক্ৰেতালৈ হস্তান্তৰ হয়। (শুদ্ধ/অশুদ্ধ)

(খ) বিক্ৰেতাৰ পৰা ক্ৰেতালৈ পণ্য হস্তান্তৰিত হোৱাৰ পূৰ্বে ইয়াৰ পৃথক অস্তিত্ব অৱগত কৰিব লাগে। (শুদ্ধ/অশুদ্ধ)

(গ) অৰ্পণ এক দ্বিপাক্ষীক কাৰ্য। (শুদ্ধ/অশুদ্ধ)

(ঘ) পণ্য যেতিয়া সৰু আৰু পাতল হয় তেতিয়া প্ৰতীকী অৰ্পণ কৰা হয়। (শুদ্ধ/অশুদ্ধ)

অগ্রগতি নিৰীক্ষণ (CHECK YOUR PROGRESS)

প্রশ্ন নং ৪ ঃ খালী ঠাই পূৰ কৰক ঃ

(ক) বিক্রয় চুক্তি ———— উপায়েৰে কৰিব পাৰি। (দুটা/তিনিটা)

(খ) ধাৰা ———— অনুসৰি, বাতিল কৰাৰ অধিকাৰ সংৰক্ষণক বিক্রেতাই কৰা যিকোনো কার্য হিচাপে সংজ্ঞাবদ্ধ কৰা হৈছে। (২৪/২৫)

(গ) অর্পণৰ পদ্ধতি ———— প্রকাৰৰ আছে। (তিনি/চাৰি)

(ঘ) আসোঁৱাহপূর্ণ অর্পণৰ ক্ষেত্রত ক্রেতাই পণ্য নাকচ কৰিব————। (পাৰে/নোৱাৰে)

৫.৯ পৰিশোধ নোহোৱা বিক্রেতাৰ অধিকাৰ (RIGHTS OF UNPAID SELLER)

যেতিয়া পণ্যৰ মূল্য গোটেইখিনি পৰিশোধ কৰা নহয় বা পৰিশোধৰ প্রস্তাৱ দিয়া হৈছে বা এক চর্ত সাপেক্ষে পৰিশোধ হিচাপে যেতিয়া এখন বিনিময় পত্র বা আন হস্তান্তৰযোগ্য চুক্তি পত্র গ্রহণ কৰা হয় তেতিয়া পণ্যৰ বিক্রেতাজনক পৰিশোধ নোহোৱা বিক্রেতা বোলা হয়। মুঠৰ ওপৰত পণ্যৰ মূল্য বা মূল্যৰ যিকোনো অংশ পৰিশোধ নোহোৱা পর্যন্ত বিক্রেতাজনে পণ্যৰ মূল্য সম্পূর্ণৰূপে লাভ নকৰে।

পৰিশোধ নোহোৱা বিক্রেতাৰ অধিকাৰবিলাকক প্রধানকৈ দুভাগত ভগাব পাৰি যেনে—

১। পণ্যৰ বিপৰীতে পৰিশোধ নোহোৱা বিক্রেতাৰ অধিকাৰ।

২। ব্যক্তিগতভাৱে ক্রেতাজনৰ বিপৰীতে পৰিশোধ নোহোৱা বিক্রেতাৰ অধিকাৰ।

(১) পণ্যৰ বিপৰীতে পৰিশোধ নোহোৱা বিক্রেতাৰ অধিকাৰ (The right of unpaid sellar against the goods) ঃ ক্রেতাক পণ্যৰ স্বত্ব হস্তান্তৰ কৰাৰ স্বত্বেও পৰিশোধ নোহোৱা বিক্রেতাই পণ্যৰ বিপৰীতে নিম্নলিখিত অধিকাৰবিলাক লাভ কৰে ঃ

(ক) স্বত্বাধিকাৰ (Right of lien) ঃ ইয়াত এনে কিছুমান অধিকাৰক বুজোৱা হৈছে, যাৰ জৰিয়তে পণ্যৰ ওপৰত বিক্রেতাৰ অধিকাৰ থাকে আৰু মূল্য পৰিশোধ নকৰালৈকে তেওঁ পণ্য অর্পণ কৰিবলৈ অস্বীকাৰ কৰিব পাৰে। পৰিশোধ নোহোৱা বিক্রেতাই তেওঁৰ স্বত্বাধিকাৰ নিম্নলিখিত তিনিটা ক্ষেত্রত প্রয়োগ কৰিব পাৰে।

(১) যেতিয়া বাকীত দিয়া হ'ব বুলি কোনো চুক্তি নকৰাকৈ পণ্য বিক্রয় কৰা হয়।

(২) যেতিয়া পণ্য বাকীত বিক্রয় কৰা হয়, কিন্তু বাকীৰ ম্যাদ শেষ হয়।

(৩) যেতিয়া ক্রেতাজনে ঋণ পৰিশোধ কৰিবলৈ অসমর্থ হয়, কিন্তু বাকীৰ সময় শেষ হৈ নাযায়।

যদি ক্রেতা দেউলীয়া হয়, বাকীত বিক্রয় কৰা স্বত্বেও আৰু বাকীৰ ম্যাদ উকলি নগ'লে পণ্যৰ ওপৰত বিক্রেতাৰ স্বত্বাধিকাৰ থাকে। বাকীত পণ্য বিক্রয় কৰাৰ ক্ষেত্রত, ক্রেতাজনে মূল্য যথোচিতভাৱে পৰিশোধ কৰিব বুলি পূৰ্বানুমান কৰা হয়। সেয়ে, পৰিশোধ কৰাৰ পূৰ্বে ক্রেতাজন যদি দেউলীয়া হৈ যায়, তেতিয়া বিক্রেতাজনৰ এই অধিকাৰ থাকিব আৰু মূল্যৰ নিশ্চয়তা হিচাপে তেওঁ পণ্য নিজৰ লগতে ৰাখিব পাৰিব।

(খ) পণ্য অনা নিয়া কৰোঁতে বাটত ৰখোৱাৰ অধিকাৰ (Right of stoppage of goods in transit) ঃ বাটত ৰখোৱাৰ অধিকাৰ বুলি কওঁতে, ক্রেতাক অর্পণ কৰিবলৈ পৰিবহনকাৰীয়ে পণ্য অনা নিয়া কৰোঁতে পণ্য বাটত ৰখাব পৰাৰ অধিকাৰ বুজোৱা হৈছে। সেয়ে বাটত ৰখোৱাৰ অধিকাৰক স্বত্বাধিকাৰৰ সম্প্রসাৰণ বুলিব পাৰি কিয়নো ইয়াৰ জৰিয়তে বিক্রেতাই পণ্যৰ অধিকাৰ হস্তান্তৰ কৰাৰ পাছতো ক্রেতাক অর্পণ নকৰা পর্যন্ত পণ্যৰ অধিকাৰ লাভ কৰে। ধাৰা ৫০, অনুসৰি, কেৱল নিম্নলিখিত পৰিস্থিতিতহে পৰিশোধ নোহোৱা বিক্রেতাই এই অধিকাৰ সাব্যস্ত কৰিব পাৰে।

(১) যেতিয়া ক্রেতাজন দেউলীয়া হয়।

(২) যেতিয়া পণ্যৰ স্বত্বাধিকাৰ ক্রেতাক হস্তান্তৰ কৰা হয়।

(৩) যেতিয়া পণ্য ক্রেতাৰ ওচৰলৈ নিয়াৰ পথত থাকে।

ধাৰা ৫১ত উল্লেখ আছে যে পণ্য ক্রেতাৰ ওচৰলৈ নিয়াৰ পথতহে বাটত ৰখোৱাৰ অধিকাৰ সাব্যস্ত কৰিব পাৰি। কিন্তু এই পৰিবহন কার্য সমাপ্ত হোৱাৰ পাছত বাটত ৰখোৱাৰ অধিকাৰ সাব্যস্ত কৰিব নোৱাৰি। ধাৰা ৫১ অনুসৰি ক্রেতাক অর্পণ কৰাৰ উদ্দেশ্যে বিক্রেতাই এজন পৰিবহনকাৰী বা আন কোনো জামিনদাৰক পণ্য অর্পণ কৰাৰ পাছৰ পৰা পণ্য অনা নিয়াৰ বাটত থকা বুলি ধৰা হয়, ক্রেতাজনে বা তেওঁৰ প্রতিনিধিয়ে পণ্য গ্রহণ নকৰা পর্যন্ত। আনহাতে, নিম্নলিখিত ক্ষেত্রসমূহত এই পৰিবহন কার্য সমাপ্ত হোৱা বুলি ধৰা হয়।

(১) লক্ষ্য স্থানত পণ্য গৈ পোৱাৰ পাছত ক্রেতাই যেতিয়া গ্রহণ কৰে।

(২) নির্ধাৰিত লক্ষ্য স্থানত পণ্য গৈ পোৱাৰ আগতে যেতিয়া ক্রেতাই গ্রহণ কৰে।

(৩) যেতিয়া লক্ষ্য স্থানত পণ্য গৈ পায় আৰু পৰিবহনকাৰীয়ে ক্রেতাজনক তেওঁৰ হৈ পণ্য জিম্মাত অনা বুলি পতিয়ন নিয়ায়।

(৪) যেতিয়া পণ্য লক্ষ্য স্থানত গৈ পায় কিন্তু চমজি লোৱাৰ পৰিবর্তে ক্রেতাজনে আন এঠাইলৈ পণ্য কঢ়িয়াই নিবৰ বাবে পৰিবহনকাৰীক অনুৰোধ কৰে আৰু নতুন লক্ষ্য স্থানলৈ নিবলৈ পৰিবহনকাৰী সন্মত হয়।

(৫) যেতিয়া পৰিবহনকাৰীয়ে ভুলবশতঃ ক্রেতাক পণ্য অর্পণ কৰিবলৈ অস্বীকাৰ কৰে।

(গ) পুনৰ বিক্রয় কৰাৰ অধিকাৰ (Right of resale) ঃ ওপৰত উল্লিখিত দুটা অধিকাৰৰ উপৰি পৰিশোধ নোহোৱা বিক্রেতাই পুনৰ বিক্রয় কৰাৰ অধিকাংশ লাভ কৰে। ধাৰা ৫৪ অনুসৰি,

পুনৰ বিক্রয় কৰাৰ অধিকাৰ সাব্যস্ত কৰিব পৰা কেতবোৰ পৰিস্থিতি উল্লেখ কৰা হৈছে। সেইবিলাক হৈছে ঃ

(১) পণ্য ক্ষয়প্রাপ্ত হোৱা প্রকৃতিৰ হ'ব লাগিব।

(২) পৰিশোধ নোহোৱা বিক্রেতাই অনা-নিয়া কৰোঁতে পণ্যৰ স্বত্বাধিকাৰ আৰু ৰখোৱাৰ অধিকাৰ সাব্যস্ত কৰিব লাগিব।

(৩) বিক্রেতাই তেওঁৰ পুনৰ বিক্রয় কৰাৰ উদ্দেশ্যৰ বিষয়ে ক্রেতাক অৱগত কৰিব লাগিব।

ব্যর্থ ক্রেতাৰ পৰা বিক্রেতাই যিকোনো ধৰণৰ ক্ষতি আদায় কৰিব পাৰে। পুনৰ বিক্রয় কৰোঁতে হোৱা অতিৰিক্ত আয় বিক্রেতাই ৰাখিব পাৰে। পৰিশোধ নোহোৱা বিক্রেতাই পণ্য অর্পণ নকৰাকৈ থাকিব পাৰে যিটো চুক্তিৰ বিষয়বস্তু আছিল। বিক্রয় বাকীকৈ কৰা হ'লেও বা নির্দিষ্ট আৰু অনিশ্চিত পণ্যৰ ক্ষেত্রতো পৰিশোধ নোহোৱা বিক্রেতাই এই অধিকাৰ সাব্যস্ত কৰিব পাৰে।

(২) ব্যক্তিগতভাৱে ক্রেতাৰ বিপৰীতে পৰিশোধ নোহোৱা বিক্রেতাৰ অধিকাৰ (Right of unpaid seller against the buyer personally) ঃ পৰিশোধ নোহোৱা বিক্রেতাই ক্রেতাজনৰ বিপৰীতে লাভ কৰা অধিকাৰবিলাক তলত আলোচনা কৰা হৈছে—

(ক) মূল্য দাবী কৰা (Sue for price) ঃ ধাৰা ৫৫ অনুসৰি, ক্রেতাক পণ্যৰ স্বত্ব প্রদান কৰাৰ পাছত আৰু ক্রেতাই ভুলবশতঃ পণ্যৰ মূল্য পৰিশোধ কৰিবলৈ অৱহেলা বা অস্বীকাৰ কৰিলে বিক্রেতাজনে পণ্যৰ মূল্য দাবী কৰিব পাৰে।

ধাৰা ৫৫ (২) অনুসৰি, ক্রেতাজনে বিক্রেতাক এটা নির্দিষ্ট দিনত পণ্যৰ মূল্য পৰিশোধ কৰিবলগীয়া ক্ষেত্রত, আৰু ক্রেতাজনে সেই মূল্য পৰিশোধ কৰিবলৈ অস্বীকাৰ কৰিলে; বিক্রেতাই তেওঁক পণ্যৰ মূল্য দাবী কৰিব পাৰে, পণ্যৰ মালিকীস্বত্ব ক্রেতাক হস্তান্তৰ নকৰিলেও বিক্রেতাই এই দাবী কৰিব পাৰে।

(খ) গ্রহণ নকৰা বাবে হোৱা ক্ষতিৰ দাবী (Sue for damages for nonacceptance) ঃ ক্রেতাই ভুলবশতঃ পণ্য গ্রহণ কৰিবলৈ অস্বীকাৰ কৰিলে আৰু মূল্য পৰিশোধ নকৰিলে বিক্রেতাজনে ইয়াৰ ফলত হোৱা ক্ষতিৰ বাবে ক্রেতাক ক্ষতিপূৰণ দাবী কৰিব পাৰে। ভাৰতীয় চুক্তি আইনৰ ধাৰা ৭৩ অনুসৰি, এনেধৰণৰ ক্ষয় ক্ষতিৰ জোখ উলিয়াব পাৰি। এই ব্যৱস্থাবিলাক হৈছে—

(১) অস্বীকাৰ কৰা পণ্যৰ পর্যাপ্ত বজাৰ থাকিলে, চুক্তিত ধার্য কৰা মূল্য আৰু চুক্তি ভংগৰ সময়ত থকা বজাৰ মূল্যৰ ব্যৱধানক ক্ষতি হিচাপে গণ্য কৰা হ'ব।

(২) এনেধৰণৰ বজাৰৰ পর্যাপ্ততা নাথাকিলে, চুক্তি ভংগৰ ফলত হোৱা প্রত্যক্ষ বা পৰোক্ষ ক্ষয়-ক্ষতি নির্ধাৰণ কৰি লোৱা হয়।

৫.১০ বিক্রয় চুক্তি ভংগ (BREACH OF CONTRACT OF SALE)

বিক্রয় চুক্তিৰ ক্ষেত্রত, এটা পক্ষই তেওঁৰ দায়বদ্ধতা পালন নকৰি চুক্তি ভংগ কৰিলে বা অচল কৰিলে তেওঁক চুক্তি ভংগকাৰী বোলা হয়। এটা পক্ষই চুক্তি ভংগ কৰাৰ লগে লগে আন পক্ষই নিম্নলিখিত যিকোনো এটা ক্ষতিপূৰণ দিব লগা হয়।

বিক্রেতাৰ প্রতিকাৰ (Remedies to seller) ঃ বিক্রয় চুক্তি ভংগ হ'লে, নিম্নলিখিত প্রতিকাৰবিলাক বিক্রেতাই পাব পাৰে—

(১) মূল্য দাবী কৰিব পাৰে।
(২) পণ্য গ্রহণ নকৰাৰ ফলত হোৱা ক্ষতিৰ ক্ষতিপূৰণ দাবী কৰিব পাৰে।
(৩) সুত দাবী কৰিব পাৰে।
(৪) নির্ধাৰিত দিনৰ আগতে ক্রেতাই চুক্তি ভংগ কৰিলে ক্ষতিপূৰণ দাবী কৰিব পাৰে।

তদুপৰি, বিক্রেতাজনে আৰু দুটা প্রতিকাৰ পাব পাৰে, যদি নির্ধাৰিত দিনৰ পূৰ্বে ক্রেতাই চুক্তি উলংঘা কৰে।

(১) বিক্রেতাজনে চুক্তি বর্তি থকা বুলি গণ্য কৰিব পাৰে আৰু তেওঁ পণ্য অর্পণৰ তাৰিখলৈকে অপেক্ষা কৰিব পাৰে।

(২) বিক্রেতাই চুক্তি বাতিল হোৱা বুলি গণ্য কৰিব পাৰে আৰু তেওঁ চুক্তি ভংগৰ বাবে ক্ষতিপূৰণ দাবী কৰিব পাৰে।

ক্রেতাৰ প্রতিকাৰ (Remedies to buyer) ঃ বিক্রেতাই বিক্রয় চুক্তি ভংগ কৰিলে ক্রেতাই নিম্নোল্লিখিত প্রতিকাৰবিলাক পাব পাৰে ঃ

(১) পণ্য অর্পণ নকৰাৰ বাবদ হোৱা ক্ষতিৰ ক্ষতিপূৰণ দাবী কৰিব পাৰে।
(২) বিশেষ ধৰণৰ কার্য কৰিবলৈ দাবী জনাব পাৰে।
(৩) মানদণ্ডৰ নিশ্চয়তাৰ প্রতিশ্রুতি ভংগ হ'লে ক্ষতিপূৰণ দাবী কৰিব পাৰে।
(৪) নির্ধাৰিত তাৰিখৰ পূৰ্বে বিক্রেতাই চুক্তি সমাপ্ত কৰিলে তেওঁ ক্ষতিপূৰণ দাবী কৰিব পাৰে।

চর্ত উলংঘা কৰিলে ক্রেতাই পণ্য নাকচ কৰিব পাৰে। অৱশ্যে তেওঁ নিম্নোল্লিখিত ক্ষেত্রবিলাকত পণ্য নাকচ কৰিব নোৱাৰে ঃ

(১) যদি ক্রেতাই চর্ত উলংঘনক মানদণ্ডৰ নিশ্চয়তাৰ প্রতিশ্রুতি উলংঘা বুলি প্রতিপন্ন কৰিব বিচাৰে।
(২) যদি চুক্তি ওলোতাব পৰা বিধৰ নহয় আৰু ক্রেতাই যদি পণ্য বা তাৰ অংশ গ্রহণ কৰে।
(৩) চুক্তি যদি নির্দিষ্ট পণ্যৰ ক্ষেত্রত হয় আৰু ক্রেতাক স্বত্ব হস্তান্তৰ কৰা হয়।

আনহাতে, মানদণ্ডৰ নিশ্চয়তাৰ চুক্তি ভংগ কৰিলে, ক্রেতাই তলৰ যিকোনো এটা কাম কৰিব পাৰে ঃ

(১) মানদণ্ডৰ নিশ্চয়তাৰ প্ৰতিশ্ৰুতি ভংগ কৰা বাবে পণ্যৰ মূল্য হ্ৰাস কৰি বা বিলোপ কৰি বিক্ৰেতাৰ বিৰুদ্ধে ব্যৱস্থা ল'ব পাৰে বা

(২) নিশ্চয়তাৰ প্ৰতিশ্ৰুতি ভংগ কৰা বাবে বিক্ৰেতাৰ পৰা ক্ষতিপূৰণ দাবী কৰিব পাৰে (ধাৰা ৫৯)।

নিশ্চয়তাৰ প্ৰতিশ্ৰুতি ভংগ কৰিলে, ইয়াৰ ফলত হোৱা প্ৰত্যক্ষ আৰু প্ৰাকৃতিক ক্ষয় ক্ষতিৰ হিচাপ উলিয়াই ক্ষতিপূৰণ নিৰ্ধাৰণ কৰা হয়।

৫.১১ (AUCTION SALE)

নিলাম বিক্রয় হৈছে বিভিন্ন ধৰণৰ বিক্রয়ৰ মাজৰ এটা প্রকাৰ; য'ত ৰাজহুৱা প্রতিযোগিতাত সর্বাধিক মূল্য দিওঁতাক পণ্য নিলামত দিয়া হয়। নিলামকাৰী হৈছে বিক্রেতাৰ এজন প্রতিনিধি।

নিলামকাৰী (autioneer) য়ে তেওঁৰ নিজৰ সম্পত্তি নিলাম কৰিব পাৰে। এই কথা কোৱাৰ দৰকাৰ নাই যে তেওঁ নিলামৰ জৰিয়তে সম্পত্তি বিক্রয় কৰে, সেয়ে ইয়াত নিলামকাৰী আৰু ক্রেতাৰ মাজত চুক্তি হয়। এই চুক্তিৰ জৰিয়তে কেতবোৰ দায়বদ্ধতাৰ উদ্ভৱ হয়। অৱশ্যে, এই সকলো দায়বদ্ধতা বিক্রেতাৰ বাবে নহয়। ধাৰা ৬৪ অনুসৰি, নিলাম বিক্রয়ৰ নিয়মবিলাক আগবঢ়োৱা হৈছে। এইবিলাক হৈছে—

(১) নিলাম বিক্রয় হৈছে— ভিন ভিন অংশ হিচাপত আৰু প্রতিটো অংশকে বিক্রয়ৰ একোটা পৃথক চুক্তি হিচাপে প্রাথমিক প্রমাণ বুলি গণ্য কৰা হয়।

(২) যিকোনো ধৰণৰ পৰম্পৰাগত পদ্ধতিৰে যেতিয়া নিলামকাৰীয়ে নিলাম সম্পূর্ণ হোৱা বুলি ঘোষণা কৰে, তেতিয়া নিলামৰ জৰিয়তে কৰা বিক্রয় সম্পূর্ণ হ'ব।

(৩) ই বিক্রেতাৰ দ্বাৰা বা তেওঁৰ হৈ প্রকাশ্যে মূল্য নির্ধাৰণৰ প্রতিদ্বন্দ্বিতা অনুষ্ঠিত কৰাৰ এক অধিকাৰ।

(৪) যদি এনেদৰে প্রতিদ্বন্দ্বিতা কৰাৰ অধিকাৰ সংৰক্ষিত থাকে তেতিয়া নিলামত বিক্রেতাই বা আনে তেওঁৰ হৈ মূল্য নির্ধাৰণৰ প্রতিদ্বন্দ্বিতাত ভাগ ল'ব পাৰে।

(৫) বিক্রেতাৰ হৈ নিলাম অনুষ্ঠিত কৰিবৰ বাবে দুটা কাৰণত বিক্রয়ৰ বাবে জাননী দিয়া নাথাকিলে তেতিয়া ই বিধিসন্মত নহ'ব। প্রথমতে, বিক্রেতাই নিজে প্রতিদ্বন্দ্বিতাত অংশ লোৱাৰ ক্ষেত্রত বা আন কোনো লোকক নিযুক্তি কৰাৰ ক্ষেত্রত। দ্বিতীয়তে, নিলামকাৰীয়ে জানি-বুজিয়ে বিক্রেতাত বা তেনেধৰণৰ আন কোনো লোকৰ প্রতিদ্বন্দ্বিতা গ্রহণ কৰাৰ ক্ষেত্রত।

(৬) কোনো কাৰণত সংৰক্ষিত নিলামৰ জৰিয়তে বিক্রয়ৰ ব্যৱস্থা কৰিলে সেই সম্পর্কে আগতীয়াকৈ জাননী দিব লাগে। এনেধৰণৰ নিলামত বিক্রেতাই নিজক সুৰক্ষিত কৰিবলৈ পণ্যৰ সংৰক্ষিত মূল্যৰ স্থিৰ কৰি ৰাখিব পাৰে।

(৭) বিক্রেতাই পণ্যৰ মূল্য বৃদ্ধি কৰিবলৈ আভুঁৰা ভৰা প্রতিদ্বন্দ্বিতাৰ ব্যৱস্থা কৰিলে, তেনে বিক্রয় পৰিহাৰ যোগ্য হ'ব।

যদি নিলামকাৰীয়ে পণ্য বিক্রয় কৰে তেতিয়া তেওঁ নিম্নোল্লিখিত দায়বদ্ধতাবিলাক পূৰণ কৰিব লাগে ঃ

(১) নিলামকাৰীয়ে তেওঁ বিক্রয় কৰাৰ কর্তৃত্ব নিশ্চিত কৰিব লাগে।

(২) নিলামকাৰীয়ে এই কথাও প্রতিপন্ন কৰিব লাগে যে তেওঁৰ মূল ব্যক্তিজনৰ স্বত্বাধিকাৰ সম্পর্কীয় কোনোধৰণৰ বিসংগতি সম্পর্কে তেওঁ নাজানে।

(৩) নিলামকাৰীয়ে তেওঁৰ হাতত পৰিশোধ কৰাৰ বিনিময়ত পণ্যৰ অধিকাৰ প্রদান কৰে।

জনা উচিত

(১) যেতিয়া পণ্য বাকীত বিক্রয় কৰা হয়, মূল্য আদায় দিয়াৰ ম্যাদ থকালৈকে বিক্রেতাজন পৰিশোধ নোহোৱা বিক্রেতা নহয়।

(২) সচৰাচৰ প্রক্রিয়া অনুসৰি একোটা প্রস্তাৱিত নিলামৰ বিষয়ে যথাযত বাবে বিজ্ঞাপন দিয়া হয় আৰু বিক্রয়ৰ চর্তাৱলীৰ সৈতে পণ্যৰ এখন ছপা কৰা তালিকা বিতৰণ কৰা হয়।



অগ্রগতি নিৰীক্ষণ (CHECK YOUR PROGRESS)

প্রশ্ন নং- ৫ ঃ তলত দিয়াবিলাকৰ পৰা শুদ্ধটো বাছি উলিয়াওক ঃ

(ক) তলত দিয়া কোনটো এজন পৰিশোধ নোহোৱা বিক্রেতাৰ বৈশিষ্ট্য—

(ক) তেওঁ নগদ ধনত পণ্য বিক্রয় কৰিব লাগিব।

(খ) পণ্যৰ মূল্য গোটেইখিনি বা আংশিকভাৱে পৰিশোধ কৰিবলৈ বাকী থাকিব লাগিব।

(গ) মূল্য পাছত পৰিশোধ কৰিব বুলি দিয়া প্রতিশ্রুতি তেওঁ অস্বীকাৰ কৰিব লাগিব।

(ঘ) মূল্য পাছত পৰিশোধ কৰিব বুলি দিয়া প্রতিশ্রুতি তেওঁ অস্বীকাৰ কৰিব নালাগিব।

(খ) তলৰ কোনটো ব্যক্তিগতভাৱে ক্রেতাৰ বিপৰীতে পৰিশোধ নোহোৱা বিক্রেতাৰ অধিকাৰ?

(ক) মূল্য দাবী কৰা।

(খ) স্বত্বাধিকাৰ।

(গ) কটত ৰখোৱাৰ অধিকাৰ।

(ঘ) পুনৰ বিক্রয় কৰাৰ অধিকাৰ।

(গ) তলৰ কোনটো পণ্যৰ বিপৰীতে পৰিশোধ নোহোৱা বিক্রেতাৰ অধিকাৰ?

(ক) গ্রহণ নকৰাৰ বাবে হোৱা ক্ষতিৰ ক্ষতিপূৰণ দাবী কৰা।

(খ) বিশেষ ক্ষতিৰ ক্ষতিপূৰণ আৰু সুত দাবী কৰা।

(গ) অনা নিয়া কৰোঁতে বাটত ৰখোৱাৰ অধিকাৰ।

(ঘ) চুক্তি বাতিল কৰা।



৫.১২ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ (LET US SUM UP)

এই অধ্যায়টিত আমি তলত দিয়া দিশসমূহ আলোচনা কৰিলো ঃ

- পণ্য বিক্রয় আইন, ১৯৩০ৰ ধাৰা ৪ (৩) অনুসৰি, একোটা বিক্রয় চুক্তিত বিক্রেতাৰ পৰা ক্রেতালৈ পণ্যৰ স্বত্ব হস্তান্তৰ কৰা হয়। বিক্রয় চুক্তিৰ আৱশ্যকতাবিলাক হৈছে— (১) অস্থাৱৰ পণ্য, (২) দুটা পক্ষ, (৩) প্রতিদান ইত্যাদি।
- বিক্রয় চুক্তিত বিক্রয় আৰু বিক্রয় কৰিবলৈ কৰা বন্দোৱস্তি দুয়োটাই অন্তর্ভুক্ত। একোটা বিক্রয় হৈছে কার্যকৰী কৰা একোটা চুক্তি। কিন্তু একোটা বিক্রয়ৰ বন্দোৱস্তি হৈছে কার্যকৰী কৰিবলগীয়া একোটা চুক্তি। বিক্রয়ত, ক্রেতাক পণ্যৰ মালিকীস্বত্ব লগে লগে হস্তান্তৰ কৰা হয় কিন্তু বিক্রয়ৰ বন্দোৱস্তিত ই এক বিক্রয়ত পৰিণত নোহোৱালৈকে পণ্য বিক্রেতাৰ লগতে থাকে।
- ধাৰা ১২ (১) অনুসৰি, আৱশ্যকতাৰ ভিত্তিত কিছুমান চুক্তিক বোলা হয় যিবিলাক মূল উদ্দেশ্যত প্রয়োজনীয় আৰু কিছুমান চুক্তিক মানদণ্ডৰ নিশ্চয়তা বোলা হয়। যিবিলাক চুক্তিৰ মূল উদ্দেশ্যৰ আনুষংগিক।
- ধাৰা ২৭ অনুসৰি, যদি এনে এজন লোকে পণ্য বিক্রয় কৰে যিজন গৰাকী নহয় আৰু যিজনে যথোচিত কর্তৃত্ব নোহোৱাকৈয়ে পণ্য বিক্রয় কৰিছে তেনে ক্ষেত্রত বিক্রেতাৰ হাতত থকা স্বত্বতকৈ অধিক ভাল স্বত্ব ক্রেতাই লাভ নকৰে। এই নিয়মক Nemo Dat Quod Non Habet বুলি জনা যায়। অৱশ্যে এই নিয়মৰ কেতবোৰ ব্যতিক্রমো আছে।
- ধাৰা ২ (২) অনুসৰি, পণ্য অর্পণ হৈছে এজন লোকৰ পৰা আন এজনলৈ পণ্যৰ তত্ত্বাৱধান ইচ্ছাকৃতভাৱে হস্তান্তৰ কৰা। অর্পণৰ পদ্ধতি তিনি প্রকাৰৰ আছে, যেনে প্রকৃত, প্রতিকী আৰু গঠনমূলক অর্পণ।
- যেতিয়া মূল্যৰ গোটেইখিনি পৰিশোধ কৰা নহয় তেতিয়া বিক্রেতাজনৰ পৰিশোধ নোহোৱা বিক্রেতা বোলা হয়।
- বিক্রয় চুক্তিৰ ক্ষেত্রত যেতিয়া এটা পক্ষই নিজৰ দায়বদ্ধতা পালন নকৰি চুক্তি ভংগ কৰে, তেতিয়া তেওঁক চুক্তি ভংগকাৰী বোলা হয়। চুক্তি ভংগ কৰাৰ পৰিণামস্বৰূপে বিক্রেতা আৰু ক্রেতা উভয়ে কিছুমান প্রতিকাৰ লাভ কৰে।
- নিলাম বিক্রয় হৈছে বিক্রয়ৰ এটা প্রকাৰ, য'ত ৰাজহুৱা প্রতিযোগিতাৰ জৰিয়তে সর্বোচ্চ মূল্য দিয়া প্রতিদ্বন্দ্বীজনক পণ্য বিক্রয় কৰা হয়।



৫.১৩ অধিক জানিবলৈ (FURTER READINGS)

১। Mercantile Law, By M C Shukla
২। Commercial Law, By R C Chawta and K C Garg
৩। Mercank Law, By V K Batra 2N.K. Katra
৪। Mercantile Law, By D Chandra Bose
৫। Elements of Mercantile Law By N D Kapoor
৬। Mercantile Law, By S K Dasgupta
৭। Business Regulatory Framework, By K C Garg, V K Sareen & Mukesh Sharma



৫.১৪ অগ্রগতিৰ খতিয়ান (ANSWERS TO CHECK YOUR PROGRESS)

১ নং প্রশ্নৰ উত্তৰ ঃ

(১) বিক্রয় চুক্তিত ক্রেতা আৰু বিক্রেতা থাকিবই লাগিব।

(২) বিক্রয় চুক্তিত কেৱল অস্থাৱৰ পণ্যকহে ধৰা হয়।

২ নং প্রশ্নৰ উত্তৰ ঃ

(ক) বিক্রয়ৰ ক্ষেত্রত বিক্রেতাৰ পৰা ক্রেতালৈ পণ্যৰ মালিকাস্বত্ব লগে লগে হস্তান্তৰ কৰা হয় আৰু বিক্রয়ৰ বন্দোৱস্তিৰ ক্ষেত্রত, বিক্রেতাৰ পৰা ক্রেতালৈ পণ্যৰ মালিকীস্বত্ব ভৱিষ্যতৰ এটা দিনত হস্তান্তৰ কৰা হয়।

(খ) বিক্রয় চুক্তি হৈছে কার্যকৰী কৰা এক চুক্তি, কিন্তু বিক্রয়ৰ বন্দোৱস্তি হৈছে ভৱিষ্যতে বিক্রয় কৰিব বুলি কৰা এক চুক্তি।

৩ নং প্রশ্নৰ উত্তৰ ঃ

(ক) শুদ্ধ (খ) শুদ্ধ (গ) শুদ্ধ (ঘ) অশুদ্ধ

৪ নং প্রশ্নৰ উত্তৰ ঃ

(ক) দুটা (খ) ২৫ (গ) তিনি (ঘ) পাৰে

৫ নং প্রশ্নৰ উত্তৰ ঃ

(ক) গ (খ) ক (গ) গ



৫.১৫ আৰ্হি প্ৰশ্ন (MODEL QUESTIONS)

১। বিক্রয় চুক্তি কি? ইয়াৰ আৱশ্যকীয় উপাদানবিলাক কি কি?

২। বিক্রয় আৰু বিক্রয়ৰ সন্মতিৰ মাজৰ পার্থক্য কি?

৩। মুখ্য চর্ত আৰু গৌণ চর্তৰ সংজ্ঞা দিয়ক। মুখ্য চর্ত আৰু গৌণ চর্তৰ মাজৰ পার্থক্য কি?

৪। পণ্য বিক্রয় চুক্তিত চর্ত হস্তান্তৰ সম্পর্কীয় বিভিন্ন নিয়মবিলাক ব্যাখ্যা কৰক।

৫। Nemo Dat Quod Non Habet। এই নিয়মটো ব্যাখ্যা কৰক। এই নিয়মৰ ব্যতিক্রমটো উল্লেখ কৰক।

৬। অর্পণৰ সংজ্ঞা দিয়ক। পণ্য বিক্রয় আইনত অর্পণ সম্পর্কে থকা নিয়মবিলাকৰ বিষয়ে আলোচনা কৰক।

৭। পৰিশোধ নোহোৱা বিক্রেতা কোন? পৰিশোধ নোহোৱা বিক্রেতাৰ অধিকাৰ বিলাক কি কি?

৮। বিক্রয় চুক্তি ভংগ হ'লে বিক্রেতা আৰু ক্রেতাই লাভ কৰা বিভিন্ন প্রতিকাৰবিলাকৰ বিষয়ে আলোচনা কৰক।

৯। নিলাম বিক্রয় কি? নিলাম বিক্রয়ৰ ক্ষেত্রত থকা নিয়মবিলাকৰ বিষয়ে আলোচনা কৰক।

****